হয়তো সমালোচনাৰ উৰ্দ্ধত থকা নাই। সাহিত্যিক মাত্ৰেই দোষ-গুণৰ সমালোচনা থাকিবই। কিন্তু সময়ে পূৰণি কৰিব নোৱাৰা এই জনা মহান সাহিত্যিকৰ বজ্ৰ কঠোৰ লিখনীয়ে সমসাময়িক আৰু পৰৱৰ্ত্তী বাইজ তথা পাঠক সমাজক নিশ্চয় প্ৰভাৱান্বিত আৰু অনুপ্ৰাণিত কৰিব।

---

[প্ৰবন্ধটি যুগুত কৰোঁতে বিশেষভাবে সহায় লোৱা পুথিসমূহ হ'ল :

১। বেণুধৰ শৰ্মা অভিনন্দন গ্ৰন্থ—উপেন্দ্ৰ বৰকটকী।

২। অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত—সত্যেন্দ্ৰ নাথ শৰ্মা।

৩। অৰ্ঘ্যাৱলী—বেণুধৰ শৰ্মা। ]

---

"একালে বাইজ, আনফালে চৰকাৰে সুঙি মোক বিচাৰিব ফুৰে চৰকাৰৰ বিৰোধী বুলি; বাইজৰ বুকুৰ একাল হিয়াৰ বঙা আমঠু বুলি বাইজে বিচাৰে মোক ৰক্ষা কৰিবলৈ। আজিৰ সমাজত কিবা কেবোণ কেবোণ লাগে। বাইজৰ চৰকাৰৰ জগত বাইজৰ ইমান অমিল কিয়?"

—বিষ্ণুৰাভা।

# ঃ পৰিবেশ, প্ৰদূষণ আৰু আমি ঃ

মিচ্ অৰ্চনা দাস
প্ৰথম বাৰ্ষিক. উচ্চতৰ
মাধ্যমিক ( বিজ্ঞান )

বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ দ্ৰুত সম্প্ৰসাৰণৰ ফলত বৰ্ত্তমান মানৱ সভ্যতাই বিকাশৰ চৰম সীমাত আহি উপনীত হ'বলৈ সক্ষম হৈছে। কৃষি শিল্প উদ্যোগ, যাতায়াত আৰু পৰিবহন. চিকিৎসা বিজ্ঞান, ব্যৱসায় বাণিজ্য. জীৱন ধাৰণৰ মানদণ্ড আদি প্ৰতিটো ক্ষেত্ৰতে বিজ্ঞানে আজি চমকপ্ৰদ উৎকৰ্ষ সাধন কৰিছে। কিন্তু বিজ্ঞানে আগবঢ়োৱা এই অৱদানবাজিয়ে, এফালে যেনেকৈ মানুহক অকল্পনীয় সুযোগ সুবিধা প্ৰদান কৰিছে ঠিক তেনেকৈ বিজ্ঞানৰ প্ৰভাৱত অনিয়ন্ত্ৰিত ভাবে প্ৰসাৰিত হোৱা মানুহৰ কাৰ্য্যকলাপ সমূহে আমাৰ চাৰিওফালৰ জগতখনৰ বিস্তৰ ক্ষতি সাধন কৰি মানুহৰ বসবাসৰ স্বাভাৱিক পৰিবেশ বিনষ্ট কৰি পেলাইছে। এনে গতিত যদি আমাৰ পৰিবেশ প্ৰদূষিত বা বিনষ্ট হৈ গৈ থাকে তেনেহ'লে নিশ্চয় এটা সময়ত এই পৃথিৱী মানুহৰ বসবাসৰ অনুপযোগী হৈ পৰিব। সেয়ে আমাৰ চৌপাশৰ পৰিবেশ যাতে বিনষ্ট নোহোৱাকৈ থাকে তাৰ প্ৰতি যত্ন ৰখাটো আমাৰ সকলোৰে অতি প্ৰয়োজনীয় কৰ্ত্তব্য হৈ পৰিছে। আমাৰ এই নিবন্ধত 'পৰিবেশ' আৰু 'প্ৰদূষণ' বুলিলে কি বুজো আৰু 'পৰিবেশ প্ৰদূষণ' ৰোধ কৰাৰ উপায় সম্বন্ধে কিছু আভাস দিয়াৰ যত্ন কৰা হৈছে।

পৰিবেশ ঃ সাধাৰণ অৰ্থত পৰিবেশ বুলিলে আমাৰ চাৰিওফালৰ বাতাবৰণ, আৰ্থ-সামাজিক অৱস্থা, জীৱন ধাৰণৰ মানদণ্ড আদিকেই বুজো। কিন্তু স্বাভাৱিক বা প্ৰাকৃতিক পৰিবেশ বুলিলে বায়ু, পানী, মাটি. গছ-গছনি, জীৱ জন্তু. নৈ, বিল, পাহাৰ পৰ্বত সাগৰ আদিৰ সমষ্টিকে বুজো। দেশ বা অঞ্চল ভেদে প্ৰাকৃতিক পৰিবেশ ভিন্ ভিন্ হ'ব পাৰে। আকৌ সভ্যতাৰ ক্ৰমোন্নতিৰ ফলত মানুহৰ প্ৰয়োজনৰ তাগিদাত বহুতো নতুন নতুন নগৰ চহৰ গঢ়ি উঠিল। শিল্প উদ্যোগ, গৱেষণাগাৰ বাট-পথ আদি স্থাপন হ'ল। মানুহে সৃষ্টি কৰা কৃত্ৰিম এই পৰিবেশ প্ৰাকৃতিক পৰিবেশৰ লগ লাগি সামগ্ৰিক পৰিবেশৰ সৃষ্টি হৈছে। মানুহৰ জীৱনত পৰিবেশৰ গভীৰ প্ৰভাৱ আছে। মানুহৰ স্বভাৱ-চৰিত্ৰ, খোৱা-লোৱা, পিন্ধন উৰণ. ফুৰা-চকা. ঘৰ-দুৱাৰ নিৰ্মাণ আদি সকলো ক্ষেত্ৰতে আমি পৰিবেশৰ প্ৰভাৱ উপলব্ধি কৰো। সেয়ে মানুহৰ দৈনন্দিন জীৱন যাত্ৰাত বা সুস্থ জীৱন যাপনত এটি সুন্দৰ পৰিবেশ নিতান্ত প্ৰয়োজন। কিন্তু আজি সুন্দৰ বা মধুৰ পৰিবেশ এটি পোৱাটো দুৰূহ হৈ পৰিছে। কিয়নো মানুহৰ কাৰ্য্যকলাপবোৰ এনেভাৱে বৃদ্ধি পাই আহিছে যে ইয়াৰ ফলত বায়ু পানী মাটি দূষিত

হাৰাৰ লগতে বতৰ আৰু জলবায়ুবো নানান পৰিবৰ্ত্তন সাধন হৈছে। ইয়াৰ প্ৰভাৱ মানুহৰ দৈনন্দিন জীৱনত অতি বিষময়।

**প্ৰদূষণ ঃ** মানুহক জীয়াই থাকিবলৈ স্বাভাৱিক পৰিৱেশ এটা লাগে। স্বাভাৱিক পৰিবেশ ঠিক থাকিবলৈ হ'লে প্ৰধানকৈ বায়ু, পানী আৰু মাটিৰ নিজ নিজ যিবিলাক বৈশিষ্ট্য বা উপাদান আছে সেইবোৰ অক্ষত বা বিনষ্ট নোহোৱাকৈ থাকিব লাগিব। বায়ুৰ উপাদানসমূহ হ'ল ৭৮ শতাংশ নাইট্ৰোজেন, ২১ শতাংশ অক্সিজেন, ০·০৩ শতাংশ কাৰ্বন-ডাই অক্সাইড আৰু বাকী প্ৰায় ০·৯৮ শতাংশ হাইড্ৰোজেন, হিলিয়াম, আৰ্গন আদি গেছ। পানী হাইড্ৰোজেন আৰু অক্সি-জেনেৰে গঠিত। পানীত কিছু ৰাসায়নিক যৌগ, মণিক আৰু কেইবিধমান বেক্টেৰিয়াও থাকে। ঠাই বিশেষে পৰিমাণৰ তাৰতম্য হলেও মাটিত অক্সিজেন, কিছুমান মণিক, কেইপ্ৰকাৰমান বেক্টেৰিয়া আৰু কেঁচুকে আদি কৰি কিছুমান সৰু সৰু জীৱ থাকে। এই উপাদানসমূহৰ মাজত কোনো বাহিৰা অনিষ্টকাৰী পদাৰ্থ প্ৰৱেশ কৰি বায়ু, পানী আৰু মাটিৰ স্বাভাৱিকতাৰ হীন-ডেটি ঘটাই জীৱজগতৰ ব্যৱহাৰৰ অনুপযোগী কৰি তোলাকে পৰিবেশ প্ৰদূষণ হোৱা বুলি কোৱা হয়। প্ৰদূষণ সৃষ্টি কাৰক পদাৰ্থসমূহক প্ৰদূষক বোলা হয়। এতেকে প্ৰদূষক পদাৰ্থ গেছীয়, তৰল, কঠিন আৰু আনকি অদৃশ্য বিকিৰণ আদিও হব পাৰে। পৰিবেশৰ কোনো এটা গোট প্ৰদূষিত হলে তাৰ প্ৰভাৱ অন্য গোট সমূহৰ ওপৰতো পৰে। যেনে বায়ুত হোৱা প্ৰদূষণে কেৱল বায়ুৰহে অনিষ্ট সাধন কৰা যেন লাগে। কিন্তু বৰষুণে বায়ুত ওপঙি থকা প্ৰদূষক সমূহ ধুই আনি মাটি আৰু পানীত জমা কৰে। আকৌ বতাহে এইবোৰ বায়ুমণ্ডললৈ উৰুৱাই নিয়ে। এনেদৰে সমগ্ৰ পৰিবেশটোৱেই দূষিত হৈ পৰে।

স্বাভাৱিক পৰিবেশ বিধ্বংসকাৰী এই প্ৰদূষণৰ কাৰণবোৰ ফঁহিয়াই চালে আমি দেখা পাওঁ যে মহাজাগতিক প্ৰক্ৰিয়াৰ ফলত পৰিবেশৰ তাৰতম্য ঘটে যদিও এইটো নিশ্চিতভাবে কব পাৰি যে মানুহেই হ'ল পৰিবেশ প্ৰদূষণৰ প্ৰধান সৃষ্টিকৰ্ত্তা। গতিকে মানুহৰ দ্বাৰা বায়ু, পানী আৰু মাট কিদৰে প্ৰদূষিত হৈ আছে সেইটো বিচাৰ কৰা অতি প্ৰয়োজন।

**বায়ু প্ৰদুষণ ঃ** বায়ু প্ৰদূষণৰ প্ৰধান উৎস সমূহ যেনে শক্তি উৎপাদনৰ কেন্দ্ৰসমূহ, মটৰ গাড়ী, ৰেলগাড়ী, উৰাজাহাজ, উদ্যোগ কল-কাৰখানা আদি, পেলনীয়া জাবৰ-জোথৰৰ দহন আদি মানুহে নিজৰ প্ৰয়োজনতে কৰিছে। এইবোৰৰ পৰাই (১) সাধাৰণ ধূলিকণা, ছাই-ধোঁৱা, এলাহ্ন ভাঠ কুঁৱলি আদি কঠিন আৰু তৰল গুড়ি বা কণা আৰু (২) কাৰ্বন-মনোক্সাইড, কাৰ্বন-ডাই-অক্সাইড, এমোনিয়া, হাইড্ৰোজেন ক্লৰাইড, ফ্লোৰাইড আৰু ছালফাইড, নাইট্ৰোজেন অক্সাইড, নাইট্ৰিক এচিড, ছালফাৰ-ডাই-অক্সাইড আদি বিভিন্ন গেছৰ উৎপত্তি হয়। কঠিন আৰু তৰল কণা সমূহ আকাৰ বিশেষে কিছুমান তললৈ নামি আহে আৰু কিছুমান বায়ুমণ্ডলত ভাহি থাকে। শক্তি উৎপাদন কেন্দ্ৰসমূহত যথেষ্ট পৰিমাণে কয়লা আৰু পেট্ৰোলিয়াম দহন হয়। কয়লা আৰু তেল দহনৰ ফলত নিৰ্গত হোৱা ছাই আৰু

ধোঁৱাত মাৰাত্মক ধৰণৰ প্ৰদূষক গুড়ি আৰু বিষাক্ত গেছ থাকে। এইবোৰে বায়ু প্ৰদূষণত প্ৰধান ভূমিকা গ্ৰহণ কৰে। বাট-পথত চলা সৰু বৰ মটৰ গাড়ীবোৰে বায়ুমণ্ডলত এৰি দিয়া কাৰ্বন মনোক্সাইডৰ পৰিমাণেই আটাইতকৈ বেছি। আমি লক্ষ্য কৰিলে দেখা পাওঁ যে গাড়ী একোখনে বেগ কমোৱা বা বঢ়োৱাৰ সময়ত নিৰ্গম নলীয়েদি নাইট্ৰোজেন অক্সাইড আৰু হাইড্ৰোকাৰ্বন বায়ুমণ্ডলত এৰি দিয়ে। বহু ইঞ্জিনত পেট্ৰোলৰ সৈতে টেট্ৰাইথাইল লেড নামৰ সীহৰ যৌগ মিহলোৱাৰ ফলত ধোঁৱাৰ লগত সীহো নিৰ্গত হয়। এইবোৰ বায়ুমণ্ডলত উৰিফুৰা বিষাক্ত কণিকা আৰু গেছৰ সৈতে লগ লাগি প্ৰাণীজগতৰ অপূৰণীয় ক্ষতি সাধন কৰিব পাৰে। আধুনিক জেট বিমানে ইন্ধন পুৰি হাইড্ৰোজেন বাহিৰ কৰে। ই বায়ুৰ অক্সিজেনৰ লগ লাগি জলীয় ভাপৰ সৃষ্টি কৰে। ফলস্বৰূপে মেঘৰ সৃষ্টি হয় আৰু এই মেঘ প্ৰাকৃতিক মেঘৰ লগ লাগি বতৰৰ ওপৰত প্ৰভাৱ পেলায়। ইয়াৰ উপৰি উদ্যোগ কল-কাৰখানা, ৰাসায়নিক গৱেষণাগাৰ আদিত ব্যৱহৃত হোৱা পদাৰ্থসমূহৰ পৰা নিৰ্গত হোৱা কিছুমান কণা বায়ুমণ্ডলত উৰি ফুৰি এইবোৰ উশাহ-নিশাহত আমাৰ শৰীৰৰ ভিতৰলৈ সোমাই গৈ নানান বেমাৰৰ সৃষ্টি কৰিব পাৰে। এছবেষ্টছৰ ধূলি চিমেণ্টৰ ধূলি আদি সেৱনৰ ফলত বছৰি হাজাৰ হাজাৰ মানুহৰ মৃত্যু ঘটে। বায়ুত হোৱা এনে প্ৰদূষণৰ ফলত যে প্ৰাণীজগতৰে ক্ষতি হয় এনে নহয় ইয়াৰ ফলত প্ৰস্তৰ মূৰ্তি, ধাতুৰ সাজ-সজ্জা, কংক্ৰিট, ৰং সনা চিত্ৰ কলা আদিও নষ্ট হয়। আনকি বিশ্বৰ অনিন্দ্যসুন্দৰ সৌধ তাজমহলো বৰ্তমান বায়ু প্ৰদূষণৰ ফলত ক্ষতিগ্ৰস্ত হৈছে। তাজমহলৰ এই সৌন্দৰ্য্যহানিৰ বাবে মথুৰা তেলশোধনাগাৰ, ওচৰে-পাজৰে থকা তীখাৰ সৰু-বৰ কাৰখানাবোৰ আৰু তাপীয় শক্তি কেন্দ্ৰসমূহকে দায়ী কৰিব পাৰি। বায়ু প্ৰদূষণৰ ফলত উদ্ভিদ জগতৰো বহু ক্ষতি সাধন হয়। পাত ফুল সৰাৰ উপৰিও গছ-গছনিবোৰ অকালতে মৰি যায়।

**পানী প্ৰদূষণ ঃ** পানীৰ প্ৰদূষকসমূহ ঘাইকৈ উদ্যোগ, কৃষিপাম, বৰ্জিত আৱৰ্জনা আদিৰ পৰা আহে। উদ্যোগসমূহত নানান ৰাসায়নিক আৰু ধাতব পদাৰ্থ ব্যৱহাৰ কৰা হয় আৰু ইয়াৰ পেলনীয়া অংশসমূহ পানীতে সাধাৰণতে পেলাই দিয়া হয়। কৃষি কাৰ্য্যত ব্যৱহৃত ৰাসায়নিক সাৰ, কীটনাশক, অপতৃণনাশক আদিও পানীতেই মিলিত হয়। ঘৰ-বাৰী, হাট-বজাৰ আদিত জমা হোৱা জাবৰ-জোথৰ বোৱা নদীতে পেলোৱা হয়। গেলা-পচা আদি মৰাশ'ৰ পৰাও পানী দূষিত হৈ পৰে। উদ্যোগ, কল কাৰখানা আদিৰ পৰা ওলোৱা কিছুমান পদাৰ্থ পানীত পেলোৱাৰ ফলত সেইবোৰ গাছ কাছ আদি জলচৰ জীৱবোৰে ভক্ষণ কৰে। সেইবোৰ প্ৰাণীক আকৌ মানুহে খাদ্য হিচাপে ব্যৱহাৰ কৰে। এনেকৈ মানুহৰ দেহত নানান বিষাক্ত বস্তু সোমাই জীৱনী শক্তি নষ্ট কৰিব পাৰে। তদুপৰি জীৱ-জন্তুৰ মলমূত্ৰ আৰু বেমাৰী আজাৰীৰ কানি-কাপোৰ ধোৱা আদি কাৰ্য্যৰ দ্বাৰাও পানী দূষিত হৈ পৰে। এনে দূষিত পানী ব্যৱহাৰৰ ফলতে জণ্ডিচ, পলিঅ', টাইফয়ড আদি মাৰাত্মক বেমাৰে দেখা দিব পাৰে।

**মাটি প্ৰদূষণ ঃ** পানী প্ৰদূষণৰ উপাদান সমূহেই

যাইকৈ মাটিকো প্ৰদূষিত কৰে। অত্যধিক ৰাসায়নিক সাৰৰ প্ৰয়োগ, কীটনাশক ঔষধৰ ব্যৱহাৰ, জধে মধে জুই জ্বলোৱা আদি কাৰ্য্যই মাটিৰ দৰকাৰী উপাদানসমূহ নষ্ট কৰি পেলায়। তাৰ ফলত মাটিৰ বেক্টেৰিয়া আৰু অন্য উপকাৰী জীৱবোৰ মৰি যায়। বসবাস, খেতি-বাতি আদিৰ বাবে হাবি জংঘল মোকোলোৱা, গৰু-মহ অবাৰিতভাৱে চৰাই তৃণভূমি ধ্বংস কৰা আদিৰ ফলো বিপদজনক। গছ-গছ নিয়ে পৃথিৱীৰ বহুতো অঞ্চলত হোৱা বতাহ আদি বাধা দি নিশ্চিত বিপদৰ পৰা ৰক্ষা কৰে। গছ-গছনি অবিহনে মাটি শুকাই যায়। উদ্ভিদ গজিব নোৱাৰা হয়। আনকি এনেকৈ বহুমাটি মৰুভূমিত পৰিণত হয়। ইয়াৰ উপৰি উদ্যোগ-সমূহত ব্যৱহাৰ কৰাৰ পিচত বৈ যোৱা আৱৰ্জনা-সমূহ, অন্যান্য পেলনীয়া বস্তুবোৰৰ মাত্ৰা দিনে দিনে ইমান বেছি হৈ গৈ আছে যে সেই দ'ম-বোৰে পৰিবেশ তথা সৌষ্ঠব হানি কৰাই নহয় ই মানুহৰ অনিষ্টকাৰী পঁইতাচোৰা, এন্দুৰ, নিগনি, মহ-মাখি আদিৰ আগাস গৃহৰ সৃষ্টি কৰি মানুহৰ জীৱন ধাৰণ ভয়াবহ কৰি তুলিছে।

বিজ্ঞানীসকলে ভূ-গৰ্ভত পৰীক্ষামূলকভাৱে যিবিলাক আণৱিক বিস্ফোৰণ ঘটাই আছে সেই-বোৰৰ ফলতো পৰিবেশ বহু পৰিমাণে দূষিত হৈ আছে। যুদ্ধ বিগ্ৰহত ব্যৱহাৰ কৰা ৰাসায়নিক অস্ত্ৰ-শস্ত্ৰৰ প্ৰয়োগৰ ফলতো পৃথিৱীৰ বায়ু, পানী মাটিৰ অপূৰণীয় ক্ষতি সাধন হৈ আছে। এই-বোৰৰ যি তেজস্ক্ৰীয় বিকিৰণ হয় সি জীৱকোষ নষ্ট কৰাই নহয় জিনৰো পৰিবৰ্তন ঘটাব পাৰে। ২য় মহাসমৰৰ সময়ত জাপানৰ হিৰোচিমা আৰু নাগাছাকিত পেলোৱা এটম বোমাৰ বিক্ৰিয়া এতিয়াও ৰটি আছে। এক্স-ৰে যন্ত্ৰ, লেজাৰ, ৰঙীন টেলিভিচন, সূক্ষ্ম তৰঙ্গ চৌকা আদি আধুনিক সৃষ্টিসমূহৰ ওচৰত দীঘলীয়া সময় কটালে শৰীৰ আৰু মন উভয়ৰে ক্ষতি সাধন হয়।

পৰিবেশ প্ৰদূষণৰ আৰু কিছুমান প্ৰদূষক আছে। যিবিলাক হয়তো আমি মনেই নকৰো। এইবোৰ হ'ল অনৰ্থক কোঢ়াল বা হাই-উৰুমি আৰু উদ্যোগ কল-কাৰখানা, মটৰ গাড়ী আদি চলোতে উৎপত্তি হোৱা অবাঞ্ছিত শব্দ। এইবোৰে আমাৰ শ্ৰৱণেন্দ্ৰীয় আৰু স্নায়ুতন্ত্ৰত আঘাত কৰাৰ উপৰিও উচ্চ ৰক্তচাপ সৃষ্টিত ইন্ধন যোগায়। ইয়াৰ উপৰি আমি ব্যৱহাৰ কৰা নানান সুগন্ধি দ্ৰব্য আৰু পানীয় সমূহত ব্যৱহাৰ কৰা ৰং আদিয়েও পৰিবেশ দূষিত কৰি নানান বেমাৰৰ সৃষ্টি কৰিব পাৰে।

**প্ৰদূষণ আৰু আমি:** সমগ্ৰ বিশ্বৰ লগতে আমাৰ দেশতো প্ৰদূষণৰ মাত্ৰা কম নহয়। সৰু ডাঙৰ সকলো নগৰ চহৰৰ পৰা ধৰি লোহিত, কাবেৰী, গঙ্গা-যমুনা আদি সকলো নদীয়েই প্ৰদূষণৰ কবলত। খোৱা পানীৰ সমস্যাই বৰ্ত্তমান বিশ্ব জোৰা সমস্যাৰূপে দেখা দিছে। মানৱ সমাজ আজি উন্নয়নৰ যি পথত আগবাঢ়িছে, প্ৰদূষণ ৰোধ কৰি পৰিবেশ সুন্দৰ কৰি ৰখাটো অসম্ভৱ হৈ পৰিছে। কিয়নো পৰিবেশ যিমানেই দূষিত নহওক লাগে— যানবাহন, কল কাৰখানাৰ অবিহনে মানৱ সভ্যতা বাচি থাকিব নোৱাৰে। সেয়ে যথাসাধ্য প্ৰদূষণ ৰোধ কৰাটোৱে এতিয়া উচিত কৰ্ত্তব্য হ'ব। প্ৰদূষণ নিয়ন্ত্ৰণৰ কাৰণে আমি লবলগীয়া উপায় সমূহ হ'ল—

১। কল কাৰখানা আদিৰ বৰ্জিত সামগ্ৰীবোৰ পৰিশোধনৰ জৰিয়তে পুনৰ ব্যৱহাৰৰ উপযোগী

কৰিব লাগিব নতুবা আনুষঙ্গিক উৎপাদনৰ ব্যৱস্থা কৰিব লাগিব।

২। প্ৰযুক্তিবিদ্যাৰ সহায়ত নতুন নতুন কৌশল উদ্ভাৱন কৰি প্ৰদূষণৰ মাত্ৰা কমাব লাগিব।

৩। উদ্যোগ, কল-কাৰখানা সমূহত যিমান পাৰি প্ৰদূষকৰ ব্যৱহাৰ কমাব লাগিব।

৪। উদ্যোগ, কল-কাৰখানা সমূহৰ বৰ্জিত আবৰ্জনাবোৰ নদীত বা কোনো জলাশয়ত নেপেলাই ডাঙৰ ডাঙৰ পকা পুখুৰী কৰি তাত পুতি থোৱাৰ ব্যৱস্থা কৰিব লাগিব।

৫। প্ৰয়োজনতকৈ অধিক ৰাসায়নিক সাৰ, কীটানুনাশক আদিৰ ব্যৱহাৰ কমাব লাগিব।

৬। শক্তিৰ বিকল্প উৎসৰ (যেনে কয়লাৰ পৰিবৰ্তে সৌৰশক্তিৰ ব্যৱহাৰ) উদ্ভাৱন কৰিব লাগিব।

৭। গুৰুত্বপূৰ্ণ আৰু বিপদজনক কাৰখানাবোৰত পাইপলাইন বা ভালভ্ নিঃসৰণ হৈ বা বিস্ফোৰণ ঘটি যাতে সৰ্বনাশ সাধন কৰিব নোৱাৰে তাৰ প্ৰতি যথোপযুক্ত দিহা কৰিব লাগিব। এনে গুৰুত্বপূৰ্ণ কাৰখানাত নিৰাপত্তাৰ সু ব্যৱস্থা নথকাৰ কাৰণেই ১৯৮৪ খৃঃৰ ২ ডিচেম্বৰত ভূপালত থকা 'ইউনিয়ন কাৰ্বাইড লিমিটেড' নামৰ কাৰখানা এটিৰ পৰা গেছ নিৰ্গত হৈ বহু মানুহৰ মৃত্যু ঘটিছিল আৰু বহুতো পঙ্গু হৈ পৰিছিল।

৮। যুদ্ধ-বিগ্ৰহ আদিত ৰাসায়নিক অস্ত্ৰ-শস্ত্ৰৰ ব্যৱহাৰ কমাব লাগিব। এই ক্ষেত্ৰত প্ৰতিখন দেশেই সাৱধানতা অৱলম্বন কৰিব লাগিব।

৯। শোধনাগাৰ কল কাৰখানা আদিৰ পৰা বাহিৰ হোৱা আবৰ্জনাবোৰ এনেভাবে এলাই যোৱাৰ দিহা কৰিব লাগে যাতে ই পৰিবেশ দূষিত কৰিব নোৱাৰে।

১০। জধে-মধে গছ গছনি কাটি বা নদী-নলাবোৰ বন্ধ কৰি প্ৰাকৃতিক ভাৰসাম্য বিঘ্নিত কৰিব নালাগিব।

১১। পৰিবেশ শান্ত কৰি ৰখাৰ উদ্দেশ্যে অকাৰণতে কোঁহাল হুলস্থুল আদি যাতে নহয় তাৰ কাৰণে শব্দ সৃষ্টিকাৰী যন্ত্ৰবোৰৰ ব্যৱহাৰ কম কৰিব লাগিব আৰু মেচিন আদিত নিয়মিত ভাৱে তেল, ভেচলিন আদিৰ ব্যৱহাৰ কৰিব লাগিব।

১২। সমাজসেৱী সংগঠন গঠন কৰি এই-বোৰৰ জৰিয়তে প্ৰদূষণৰ ভয়াবহতাৰ বিষয়ে জন সাধাৰণক সচেতন কৰাৰ দিহা কৰিব লাগিব।

সৰ্বোপৰি প্ৰদূষণৰ মূলতে হ'ল ক্ৰমবৰ্দ্ধমান জনসংখ্যা। বাঢ়ি অহা জনসংখ্যাৰ প্ৰয়োজন পূৰণৰ কাৰণেই মানুহে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ দ্ৰুত ব্যৱহাৰ কৰিব লগাত পৰিছে আৰু প্ৰকৃতি ৰাজ্যৰ গছ গছনি তথা হাবি জংঘল কাটি তহিলং কৰি মানুহৰ বসবাসৰ ঠাই উলিয়াব লগা হৈছে। সেয়ে সেউজ সুন্দৰ পৃথিৱীক কোমল আৰু সজীৱ কৰি ৰাখি পৰিবেশিক ভাৰসাম্য ৰক্ষা কৰিবলৈ হ'লে জনসংখ্যা বৃদ্ধিৰোধ কৰিব লাগিব আৰু তাৰ বাবে পৰিয়াল কল্যাণৰ কাৰ্য্যকৰী ব্যৱস্থা, প্ৰতি গৰাকী মুনিহ-তিৰোতাই গ্ৰহণ কৰিব লাগিব।

— + —

# প্ৰাচীন ভাৰতত স্ত্ৰী-শিক্ষা ঃ
# এটি জিলিঙণি

মিচ. বিজুমণি শৰ্মা
প্ৰথম বাৰ্ষিক উঃ মাঃ

প্ৰাচীন ভাৰতীয় সভ্যতা আৰু সংস্কৃতিৰ ইতিহাস মেলি চালে দেখা যায় যে সমাজত নাৰীয়েও পুৰুষৰ সমানে স্থান অধিকাৰ কৰিছিল আৰু বহুতো নাৰীয়ে উচ্চ শিক্ষা লাভ কৰি সুধীসমাজৰ সমাদৰ লাভ কৰিব পাৰিছিল। বেদ, উপনিষদ, ৰামায়ণ মহাভাৰত পুৰাণ আদিত নাৰীৰ এনে বিদ্যায়তনিক পাৰদৰ্শিতাৰ বিশদ বিৱৰণ পোৱা যায়। পৃথিৱীৰ আন কোনো দেশৰ প্ৰাচীন সভ্যতাৰ বুৰঞ্জীত কিন্তু ভাৰতবৰ্ষৰ দৰে নাৰীয়ে উচ্চ শিক্ষা লাভ কৰি সমাজত এক বিশিষ্ট স্থান লাভ কৰাৰ নজিৰ দেখিবলৈ পোৱা নাযায়। এই ক্ষেত্ৰত প্ৰাচীন ভাৰতীয় সভ্যতা এক ব্যতিক্ৰম আছিল বুলিয়ে কব পাৰি।

প্ৰাচীন ভাৰতীয় শিক্ষা বুলিলে সাধাৰণতে বৈদিক শিক্ষাকে (Vedic Education) বুজায়। সেই কালত বৈদিক যাগ-যজ্ঞ বা ক্ৰিয়া কাণ্ডত অংশ গ্ৰহণ কৰাৰ পূৰ্বে পুৰুষ বা স্ত্ৰী সকলোৰে বেদ অধ্যয়ন কৰাটো অপৰিহাৰ্য্য আছিল। সমাজত নাৰীৰ স্থান পুৰুষৰ সমানে হোৱা বাবে নাৰীয়ে যাগ-যজ্ঞ কৰাত বা বৈদিক সাহিত্য অধ্যয়ন কৰাত কোনো বাধা নাছিল। যজ্ঞাদি কাৰ্য্য সম্পন্ন কৰিবলৈ স্বামীৰ লগত স্ত্ৰী থকাটো এক নীতিত পৰিণত হৈছিল। ঘৰুৱা যজ্ঞ-কৰ্মাদি তিৰোতাসকলে অকলেই সম্পাদন কৰিব লাগিছিল। ৰামায়ণত আমি পাওঁ যে কৌশল্যাই তেওঁৰ পুতেকৰ অভিষেক উৎসৱৰ দিনা পুৱা অকলে যজ্ঞ-কাৰ্য্য সম্পন্ন কৰিছিল। বালীয়ে সুগ্ৰীৱৰ সৈতে ৰণ দিবলৈ যোৱাৰ সময়ত তাৰাই যজ্ঞ কৰাৰ কথাও ৰামায়ণত বৰ্ণিত আছে। মহাভাৰতৰ কুন্তীও বেদ শাস্ত্ৰত পাৰ্গত আছিল। বিশেষকৈ অথৰ্ববেদৰ ওপৰত তেওঁৰ অগাধ দখল আছিল।

প্ৰাচীন ভাৰতবৰ্ষত নাৰীসকল শিক্ষা-দীক্ষাত আগবঢ়াৰ প্ৰধান কাৰণ আছিল এয়ে যে সেই কালত বাল্য-বিবাহৰ প্ৰচলন নাছিল। ১৬/১৭ বছৰ নোহোৱা পৰ্য্যন্ত ছোৱালীৰ বিবাহ নহৈছিল। গতিকে ছোৱালীয়েও বেদ অধ্যয়ন তথা যাগ-যজ্ঞাদিত ভাগ লবলৈ সময় পাইছিল। যাগ-যজ্ঞ বা বেদ অধ্যয়নৰ আগতে ল'ৰা-ছোৱালী উভয়ে "উপনয়ন" সংস্কাৰ কাৰ্য্য সম্পন্ন কৰাটো বাধ্যতামূলক আছিল।

বৈদিক যুগত বিদ্যা অধ্যয়ন কৰা নাৰীসকলক দুটা শ্ৰেণীত ভাগ কৰা হৈছিল। যিসকল নাৰীয়ে বিবাহত সোমাই বিদ্যা অধ্যয়ন কৰিছিল সেই-বোৰক সদ্যবধূ (Sadyavadhu) আৰু যি

সকলে বিবাহৰ বয়স হোৱাৰ পিচতো বিয়াত নোসোমাই বা পলমকৈ বিবাহত সোমাই বিদ্যা অধ্যয়ন কৰিছিল সেইসকলক ব্ৰহ্মবাদিনী (Brahma-vadinis) বোলা হৈছিল। সদ্যবধূসকলে তেওঁলোকৰ শিক্ষাৰ ক্ষেত্ৰ দৈনন্দিন যাগ-যজ্ঞ ক্ৰিয়া-কাণ্ডৰ কাৰণে লাগতিয়াল বৈদিক মন্ত্ৰ-স্তোত্ৰ পাঠতে সীমিত ৰাখিছিল। তদুপৰি নাচ গানবো কিছু শিক্ষা আহৰণ কৰিছিল। ব্ৰহ্মবাদিনীসকলে বেদ অধ্যয়ন তথা ব্ৰহ্মজ্ঞান লাভতে আৱদ্ধ থকা নাছিল। তেওঁলোকে বহুতো মন্ত্ৰ স্তোত্ৰ ৰচনা কৰিও নিজৰ পাৰদৰ্শিতাৰ পৰিচয় দিব পাৰিছিল। ঋক বেদৰ বহুতো স্তোত্ৰ কেইবাগৰাকী বিদুষী নাৰীয়ে ৰচনা কৰা বুলি কোৱা হয়। সেইসকল বিদুষী নাৰীৰ ভিতৰত উল্লেখযোগ্য আছিল বিশ্বাৱৰা ( Visvavara ), সিকতা ( Sikata ), নিভাৱৰি ( Nivavari ), ঘোষা ( Ghosha ), ৰোমসা ( Romasa ), লোপামুদ্ৰা ( Lopa-mudra ), অপলা ( Apala ), আৰু উৰ্বশী ( Urvashi )।

বেদ শাস্ত্ৰৰ বাহিৰেও প্ৰাচীন ভাৰতত নাৰী সকলে দৰ্শন শাস্ত্ৰ, মীমাংসা, উপনিষদ আদিৰো অধ্যয়ন কৰি পৰম ব্যুৎপত্তি লাভ কৰিছিল। ঋষি যাজ্ঞবল্কৰ এগৰাকী পত্নী মৈত্ৰেয়ী দাৰ্শনিক তত্ত্ব অধ্যয়নৰ প্ৰতি ইমান অনুৰক্ত আছিল যে তেওঁ বহুমূলীয়া ৰত্ন-অলঙ্কাৰ বিসৰ্জন দি বৃদ্ধাৰস্থালৈকে স্বামীৰ ওচৰতে ব্ৰহ্মজ্ঞান লাভ কৰিছিল। বৃহদাৰণ্যকোপনিষদৰ এটি উজ্বল ৰত্নস্বৰূপা গাৰ্গী আছিল সকলো শাস্ত্ৰতে পাৰ্গত এগৰাকী ব্ৰহ্মবাদিনী। তেওঁ সেইকালৰ পৰম বিশিষ্ট পণ্ডিত, ব্ৰহ্মজ্ঞানী আৰু অতি শক্তিশালী ঋষি যাজ্ঞবল্কৰ লগত ব্ৰহ্ম সম্পৰ্কে, জগদুৎপত্তিবাদ তত্ত্ব সম্পৰ্কে আদি নানান বিষয় লৈ তৰ্ক কৰাৰ সাহস কৰিছিল। গাৰ্গীৰ কাৰ্য্যকলাপ উপনিষদৰ পাতত কেইবা ঠাইতো চকুত লগা হিচাপে আছে।

ৰাজৰ্ষি জনকে এবাৰ এখন সভা আহ্বান কৰি সমগ্ৰ ভাৰতৰ ঋষিবৃন্দক তাত সমবেত কৰাইছিল। ৰাজৰ্ষিয়ে এটা প্ৰস্তাৱ আগবঢ়াই ছিল যে যিজন সকলোতকৈ ব্ৰহ্মজ্ঞানী ঋষি তেওঁক দহ হাজাৰ খীৰতী গাই দান কৰিব আৰু সেইবিলাকৰ শিংবোৰ সোণেৰে বন্ধাই দিব। তেতিয়া আনবিলাক ঋষি নিতাল মাৰিলে। কিন্তু মহৰ্ষি যাজ্ঞবল্কই তেওঁৰ শিষ্যবিলাকক এই গাইবোৰক তেওঁৰ আশ্ৰমলৈ লৈ যাবলৈ ক'লে। যাজ্ঞবল্কৰ এই কাৰ্যাত আন আন ঋষিসকল খণ্ডত জ্বলি-পকি উঠিল। কাৰণ তেওঁলোকে ধৰি ললে যে এইটো যাজ্ঞবল্ক বিদ্যাজনিত অহংকাৰ। সেয়ে আন ঋষিসকলে তেওঁক উদ্দেশ্য কৰি কবলৈ ধৰিলে— 'সবাতোকৈ জ্ঞানী আপুনিয়ে নেকি ?'' যাজ্ঞবল্কই ধেমালিৰ সুৰত কলে যে তেওঁ সেইটো কব নোখোজে কিন্তু গাইবোৰ দেখি তেওঁৰ লোভ জন্মিছে। তেতিয়া সমবেত বাকী ঋষি সকলে তেওঁৰ ওপৰত জাউৰিয়ে-জাউৰিয়ে প্ৰশ্নবান নিক্ষেপ কৰাত লাগিল। কিন্তু যাজ্ঞবল্কৰ ওচৰত তেওঁলোকে হাৰ মানিব লগীয়া হ'ল। তেতিয়া গাৰ্গী উঠি ইমান প্ৰশ্ন কৰিলে যে যাজ্ঞবল্ক ব্যতিব্যস্ত হৈ পৰিছিল। গাৰ্গীৰ এই প্ৰশ্নসমূহ আছিল প্ৰধানকৈ ব্ৰহ্ম বিষয়ক।

মৈত্ৰেয়ী আৰু গাৰ্গীৰ বাহিৰেও উপনিষদ যুগত ঐয়েত্ৰী, সুলভা আদি বিদুষী নাৰীসকলে

পৰম বিদ্যা লাভ কৰি বিদ্বৎ সমাজত এক উচ্চ আসন লাভ কৰিব পাৰিছিল। নাৰীৰ এই উচ্চ শিক্ষা আহৰণ বুদ্ধৰ যুগলৈকে অপৰিবৰ্ত্তিত হৈয়ে আছিল বুলি কব পাৰি।

কিন্তু পৰৱৰ্ত্তীকালত সমাজৰ পৰিবৰ্তনৰ লগে লগে নাৰী শিক্ষাৰ প্ৰসাৰত বাধা আহি পৰিছিল। ইতিমধ্যে সমাজৰ আইন-শৃংখলা আদি ৰক্ষা কৰাৰ নামত বহুতো নীতি-নিয়ম বিধিবদ্ধ কৰা হৈছিল। এই নীতি-নিয়মে সমাজত নাৰীৰ স্থানো নিৰূপিত কৰিলে পুৰুষৰ তলত। বিশেষকৈ মনু সংহিতাই নাৰীৰ বৈদিক সাহিত্য অধ্যয়ন বাৰণ কৰি দিয়াত নাৰীৰ সমানাধিকাৰৰ বিলোপ ঘটিল। নাৰীসকলৰ উপনয়নাদি সংস্কাৰ কাৰ্য্যও বাদ পৰি আহিল আৰু তেওঁলোকে যাগ-যজ্ঞ কৰাটো বন্ধ হ'ল। ছোৱালীৰ বাল্য-বিবাহ ব্যৱস্থাৰ প্ৰচলন হ'ল। গতিকে পুৰুষ প্ৰধান সমাজ ব্যৱস্থাত স্বাভাৱিকতে স্ত্ৰী-শিক্ষা স্থবিৰ হৈ পৰিছিল। তেতিয়া কেৱল ৰাজ পৰিয়াল বা সম্ভ্ৰান্ত পৰিয়ালৰ জীয়ৰী বা নৰ্ত্তকী আদিয়েহে কিছু কিছু শিক্ষা লাভ কৰিবলৈ সুযোগ পাইছিল।

তথাপি এইটো পৰম গৌৰৱৰ কথা যে ভাৰতীয় নাৰীয়ে যুগে যুগে নিজৰ পাণ্ডিত্য আৰু প্ৰতিভাৰ পৰিচয় দেখুৱাই আহিছে আৰু বৰ্তমান কালত ভাৰতবৰ্ষৰ লগতে সমগ্ৰ বিশ্বৰ নাৰীয়ে পুৰুষৰ সমানে স্থান অধিকাৰ কৰি শিক্ষা-দীক্ষাৰ বিভিন্ন ক্ষেত্ৰত দুৰ্বাৰ গতিত আগবাঢ়ি গৈছে।

— x —

[ প্ৰবন্ধটি যুগুত কৰোঁতে সহায় লোৱা গ্ৰন্থ কেইখন হ'ল—
1) ভাৰত ভূমি—বিজয় চন্দ্ৰ ভাগৱতী।
2) Ancient India—R. C. Majumdar.
3) Education in Ancient India—Dr. A. S. Altekar ]

# পীৰ আজান ফকিৰ আৰু অসমীয়া সাহিত্য-সংস্কৃতিত তেওঁৰ অৱদান ঃ

মঃ নুৰুল ইছলাম
১ম বাৰ্ষিক, স্নাতক

অসমৰ সাহিত্য আৰু সংস্কৃতিৰ জগতত পীৰ আজান ফকিৰ চাহেবে এক সুকীয়া স্থান দখল কৰি থৈ গৈছে। ইছলাম ধৰ্ম প্ৰচাৰ কৰাৰ অদম্য আশা বুকুত বান্ধি সুদূৰ মধ্য-প্ৰাচ্যৰ বাগদাদ চহৰৰপৰা আহি অসম ভূমিত প্ৰৱেশ কৰা আজান ফকিৰ মূলতঃ ধৰ্ম প্ৰচাৰক আছিল যদিও তেওঁ এই দেশৰ মাটি, পানীৰ লগত হাড়ে-হিমজুৰে মিলি গৈ অসমীয়া মাতৃকথা তথা অসমীয়া ভাষা শিকি এজন নিভাঁজ অসমীয়াৰ পৰিচয় দিবলৈ সক্ষম হৈছিল। তেওঁ আছিল অতি দয়ালু, মৰমিয়াল আৰু ক্ষমাশীল। তদুপৰি তেওঁ এজন সুকবিও আছিল। আল্লাৰ মহিমা আৰু বাণীবোৰ তেওঁ অসমীয়াতে অতি সহজ আৰু শুৱলাকৈ ৰচনা কৰি ভক্তবৃন্দৰ আগত গীত আকাৰে প্ৰচাৰ কৰাত তেওঁৰ জনপ্ৰিয়তা ইমানেই বাঢ়ি গৈছিল যে সৰ্বসাধাৰণ ৰাইজৰ মাজত তেওঁ অতি জনপ্ৰিয় হৈ উঠিছিল।

আজান ফকিৰ চাহেব আহি অসমত উপস্থিত হোৱাৰ সময়ত আহোম স্বৰ্গদেউ আছিল প্ৰতাপ সিংহ। প্ৰতাপ সিংহৰ ৰাজত্ব কালৰ পৰা স্বৰ্গদেউ গদাধৰ সিংহৰ দিনত মৃত্যুবৰণ কৰালৈকে ফকিৰ চাহেব এই দেশতে আছিল। এই কালছোৱাত তেওঁ অসমৰ বিভিন্ন প্ৰান্তত ঘূৰি-পকি ইছলাম ধৰ্মৰ শান্তিবাণী জনসাধাৰণৰ মাজত প্ৰচাৰ কৰি অৱশেষত উজনি অসমৰ দিখৌ নৈৰ পাৰৰ শৰাগুৰি চাপৰিত ভক্তবৃন্দৰ সৈতে আল্লাৰ অপাৰ মহিমাৰ জয়গুণ গাই থাকিবলৈ লৈছিল। ফকিৰৰ সহজ-সৰল জীৱন-যাপন আৰু গুণ-গৰিমাত মুগ্ধ হৈ দিনে দিনে ভক্তৰ সংখ্যা বাঢ়ি গৈছিল আৰু তেওঁৰ জনপ্ৰিয়তাও বৃদ্ধি পাই আহিছিল।

কিন্তু আজান ফকিৰ চাহেবৰ জনপ্ৰিয়তাই তেওঁৰ কাল হ'লগৈ। ফকিৰৰ জনপ্ৰিয়তা দেখি আহোম স্বৰ্গদেৱৰ বিশ্বস্ত বিষয়া ৰূপাই দা-ধৰাৰ চকুৰ পোৰণি উঠিল। তেওঁ ফকিৰ চাহেবক স্বৰ্গদেৱৰ হতুৱাই এশিকনি দিয়াৰ উদ্দেশ্যে স্বৰ্গদেৱৰ ওচৰত ফকিৰক মোগলৰ গুপ্তচৰ বুলি লগালেগৈ। কিন্তু স্বৰ্গদেৱে ফকিৰৰ বিৰুদ্ধে দিয়া অভিযোগৰ কোনো প্ৰমাণ নোপোৱাত প্ৰথমতে ৰূপাইৰ অভিযোগৰ ওপৰত কোনো গুৰুত্ব দিয়া নাছিল। কিন্তু এবাৰ দুবাৰ, তিনিবাৰকৈ ফকিৰৰ বিৰুদ্ধে অভিযোগ অনাত ৰাজকৰ্মচাৰী হিচাপে ৰূপাইক সন্তুষ্ট কৰাৰ অৰ্থে ৰজাই টেকেলা পঠাই পীৰ চাহেবক গড়গাঁৱলৈ ধৰাই নিয়ালে। ৰজাৰ অনুমতি নোলোৱাকৈ ধৰ্মপ্ৰচাৰ কৰাৰ অভিযোগত

স্বৰ্গদেৱে ৰূপাই-দা-ধৰাৰ পৰামৰ্শমতে আজান ফকিৰৰ চকু দুটি কাঢ়িবলৈ আদেশ দিলে। কিন্তু অলৌকিক শক্তিৰে মহিমামণ্ডিত আজান চাহেব স্বৰ্গদেৱৰ এই নিষ্ঠুৰ আদেশত অলপো বিচলিত নহ'ল। বৰং এই আদেশ শুনি ভাগি পৰা শিষ্যসকলক পূৰ্বৰ নবীসকলে ভোগ কৰা দুখ-যন্ত্ৰণা তথা লাঞ্ছনা আদিৰ কাহিনী শুনাই সান্ত্বনা দি ধৈৰ্য্য ধৰিবলৈহে উপদেশ দিলে। পীৰ চাহেবৰ এনে অমিয়া বচনত গোটেই শিষ্য-সকলৰ ভগ্ন আৰু ক্লান্ত হৃদয় ক্ষান্ত হৈ পুনৰ দুগুণ উৎসাহেৰে বিশ্ব-নিয়ন্তাৰ নাম জপিবলৈহে উঠি-পৰি লাগিল।

পীৰ চাহেবে স্বৰ্গদেৱৰ এনে নিৰ্মম-নিষ্ঠুৰ আদেশ শিৰোধাৰ্য্য কৰি অকণমানো ইতস্ততঃ নকৰাকৈ ৰাজদৰবাৰত আহি উপস্থিত হ'লহি আৰু সবিনয়ে ৰজাক ক'লে—"স্বৰ্গদেউ মহাৰাজ, আপুনি মোক আপোনাৰ চাওডাঙৰ হতুৱাই চকু কাঢ়ি অনৰ্থক কষ্ট দিব নেলাগে। দয়া কৰি দুটি মাটিৰ 'মলা' ইয়ালৈ আনিব দিয়ক। পৰমেশ্বৰৰ অসীম দয়াত লাভ কৰা মই মোৰ নয়নযুৰি নিজে উলিয়াই মলাটিত ৰাখিম আৰু আপুনি মোৰ নয়নযুৰি আপোনাৰ শাসনাধীন দিখৌ নৈৰ সোঁতত পেলাই দিয়াৰ ব্যৱস্থা কৰিব।"

ফকিৰৰ এনে বিনয় বচনত স্বৰ্গদেৱৰ অন্তৰত দয়া উপজিল আৰু পূৰ্বৰ হুকুম বাতিল কৰি দুটি মাটিৰ 'মলা' টেকেলাৰ হতুৱাই অনাই ফকিৰৰ সমুখত ৰাখিলে। ফকিৰে তেতিয়া একাগ্ৰ-চিত্তে আল্লাৰ নাম স্মৰণ কৰি নিজৰ অমূল্য ৰতন নয়নযুৰি নিমিষৰ ভিতৰতে উলিয়াই ৰজাক অৰ্পণ কৰিলে। ফকিৰ চাহেবৰ এনে না-ভূত-না-শ্ৰুত কাণ্ডত ৰাজদৰবাৰৰ সকলো আচৰিত হ'ল।

চকুযুৰি নিজে উলিয়াই দি চিৰদিনৰ বাবে অন্ধ হৈয়ো নিজৰ দুখ-লাঞ্ছনাৰ কথা অলপো চিন্তা নকৰি কেৱল ৰাইজৰ মঙ্গলৰ কথাহে তেওঁ চিন্তা কৰিছিল। সেইবাবেই তেওঁ ৰজাক তেওঁৰ চকুযুৰি দিখৌ নৈৰ সোঁতত পেলাবলৈ অনুৰোধ কৰিছিল।

"আমাৰে নজৰক খালত নেপেলাবি
মৰিব ৰায়ত লোক পুৰি
আমাৰে নজৰক পেলাই থৈ আহিবি
পেলাবি দিখৌ নৈৰ গুৰিত।"

কিন্তু ৰজাই পীৰ চাহেবৰ অনুৰোধৰ প্ৰতি অলপো কাণসাৰ নকৰিলে আৰু দিখৌ নৈৰ বালিতে চকু দুটা পেলাই দিলে। লগে লগে ইয়াৰ পৰিণাম ভয়ঙ্কৰ হৈ উঠিল। মুহূৰ্তৰ ভিতৰতে দিখৌ নৈৰ পানী ওফন্দি উঠিল আৰু সমস্ত গাঁও, নগৰ পানীত বুৰ গ'ল। জনসাধাৰণৰ মনত এক ভয়াবহ আতংকৰ সৃষ্টি হ'ল।

স্বৰ্গদেৱে প্ৰজাৰ মুখে যেতিয়া জানিলে যে ফকিৰৰ অভিশাপতহে এনে বানপানীৰ তাণ্ডৱ লীলাৰ সৃষ্টি হৈছে তেতিয়া তেওঁৰ অন্তৰ আতংকত কঁপি উঠিল আৰু ততাতৈয়াকৈ ৰাজ বিষয়া হাতীধৰুৱাক গাঁও-নগৰ আদিত হোৱা অঘটনবোৰ পৰিদৰ্শন কৰিবলৈ আৰু আজান চাহেবৰ অৱস্থাৰ বিষয়ে জানিবৰ কাৰণে পঠিয়াই দিলে। বৰুৱা ডাঙৰীয়াই ৰাজ্যৰ চৌদিশ পৰিদৰ্শন কৰি অৱশেষত আল্লাহৰ নামত ৰত হৈ থকা আজান ফকিৰৰ ওচৰলৈ আহিল। সকলোফালে পানী কিন্তু শিষ্যসকলক লৈ আজান ফকিৰ থকা ঠাইখিনিত

অকণো পানী নুঠা দেখি হাতীবৰুৱা বিস্ময়ত বিমূঢ় হ'ল। তেওঁ ভালদৰে অনুধাৱন কৰিলে যে প্ৰতিশোধ পৰায়ণ ৰূপাই দা-ধৰাৰ প্ৰৰোচনাত পতিয়ন গৈ স্বৰ্গদেৱে মিছাকৈয়ে আজান চাহেৱৰ নিচিনা খোদা আৰু বহুল প্ৰেমিকক চকু কাঢ়ি চৰম শাস্তি বিহিলে। ফকিৰ চাহেৱৰ ওচৰত বৰুৱাই বৰজা ঘৰ আৰু প্ৰজা ঘৰৰ হৈ ক্ষমা ভিক্ষা মাগিলে। বৰুৱাৰ ব্যৱহাৰত ফকিৰ চাহেব সন্তুষ্ট হ'ল আৰু তেওঁক আশীৰ্ব্বাদ দি গালে—

"কি দোৱা দি যাম
তোকে এ বৰুৱা
কি বৰ দি যাম তোকে
পুৰুষে পুৰুষে বিষয় খাই যাবি
ভাঙোতা নহব তোক।"

জনা যায় ফকিৰৰ পৰা এনে অসাধাৰণ দোৱা লাভ কৰাৰ ফলত নানা কূট-কৌশল কৰিও তেওঁক কোনেও ৰাজ বিষয়াৰ পৰা পদচ্যুত কৰিব পৰা নাছিল।

ফকিৰৰ পৰা বিদায় লৈ গৈ বৰুৱা ডাঙৰীয়াই স্বৰ্গদেৱক সকলো বৃত্তান্ত ক'লে। ফকিৰ চাহেব যে এজন প্ৰকৃত আধ্যাত্মিক ব্যক্তি আছিল সেইটো ৰূপাই-দা ধৰাই বুজিব নোৱাৰিছিল যদিও বৰুৱা ডাঙৰীয়াই বুজি পাইছিল। বৰুৱাৰ মুখে আৰু নিজ চকুৰে আজান ফকিৰৰ অসাধাৰণ কাৰ্য্য-বোৰ দেখি স্বৰ্গদেৱে পুনৰ টেকেলাৰ হতুৱাই ফকিৰক ৰাজদৰবাৰলৈ মতাই আনি নিজৰ ভুলৰ বাবে ক্ষমা ভিক্ষা খুজিলে আৰু দেশৰপৰা অপায় অমঙ্গলবোৰ আঁতৰাই নিবলৈ অনুৰোধ জনালে। ক্ষমাৰ প্ৰতিভূস্বৰূপ পীৰ চাহেবে আল্লাৰ ওচৰত দোৱা মাগিলত অলপ দিনৰ ভিতৰতে দুৰ্যোগ আঁতৰি গ'ল। পাছে চাহেবে তেওঁৰ পৱিত্ৰ নয়ন যুৰি দিখৌৰ বালিতে পৰি থকাৰ সম্বেদ সপোন যোগে পালত শিষ্যসকলক চকু যুৰি লৈ আনি-বলৈ নিৰ্দেশ দিলে। শিষ্যসকলৰ কেইজনমানে গৈ দিখৌৰ বালিৰ পৰা চকু যুৰি বিচাৰি আনিলে। তেওঁ পুনৰ চকু যুৰি লগাই ল'লে যদিও এই পৰিদৃশ্যমান জগতত তেওঁ দেখাত অন্ধ হৈয়ে থাকিল। এয়েই আছিল আজান ফকিৰ চাহেবৰ চমু বৃত্তান্ত।

আজান চাহেবৰ অদ্ভুত শক্তিত আপ্লুত হৈ স্বৰ্গদেৱে ফকিৰক শৰাগুৰি চাপৰিত ধন, সোণ মাটি-বাৰী আদি দান কৰি তামৰ ফলি প্ৰদান কৰে। তৎপৰি ফকিৰৰ ইচ্ছানুসাৰে ধৰ্ম প্ৰচাৰৰ বাবে এটি মঠো সজাই দিয়ে। স্বৰ্গদেৱৰ অনু-গ্ৰহপুষ্ট হোৱাত ধৰ্ম প্ৰচাৰ কাৰ্যত আৰু একো বাধা নাথাকিল। তেওঁৰ অমিয়সনা বচনত মুগ্ধ হৈ বহু লোক আহি তেওঁৰ শিষ্যত্ব লাভ কৰিছিল। তেওঁৰ মনত ধনী-দুখীয়া, উচ্চ নীচ, জাতি-ধৰ্ম সকলো সমান আছিল আৰু সেই কাৰণে তেওঁ সকলোৰে অসীম শ্ৰদ্ধাৰ পাত্ৰ হৈ পৰিছিল। সুদূৰ মধ্য-প্ৰাচ্যৰ পৰা আহি অসমৰ সকলো জন গোষ্ঠীক একেখন মঞ্চৰ ওপৰতে থিয় কৰাই হিন্দু মুছলমান মিলনৰ এনাজৰীডাল বান্ধি উদাৰ নীতিৰ যি আদৰ্শ দেখুৱাইছিল সেই আদৰ্শ বাবে ৰহনীয়া অসমীয়া সংস্কৃতিৰ বৰ পেৰাত সদায় উজ্জ্বল দৃষ্টান্ত হৈ ৰব আৰু অসমীয়া জাতিক সদায় অনুপ্ৰাণিত কৰি থাকিব। এই জনা সাধক পুৰুষৰ মনত হিন্দু-মুছলমানৰ মাজত কোনো বিভেদ ৰখা নাছিল সেইটো তেওঁ গোৱা তলৰ গীত ফাঁকিৰ পৰাই বুজিব পাৰি।

"মোৰ মনত ভিন ভাব,
নাই ঐ আল্লা
মোৰ মনত একেটি ভাৱ
হিন্দু মুছলমান,
এক আল্লাৰ সন্তান
মোৰ মনত ভিন ভাৱ নাই।"

অসমীয়া জাতিৰ ঐক্য-সংহতিত অবিহণা যোগোৱাৰ উপৰিও ছাহ-মিলন চাহেবে অসমীয়া ভাষা-সাহিত্যতো এক অনুপম অৱদান আগ-বঢ়াই গৈছে। তেওঁ মহান আল্লাৰ মাহাত্ম্য বৰ্ণনা কৰি বহুতো জিকিৰ আৰু জাৰী গীত ৰচনা কৰিছিল। অসমীয়া ভাষাত সহজ-সৰলকৈ ৰচনা কৰা এই জিকিৰ আৰু জাৰী গীতবোৰ অসমীয়া ভাষা সাহিত্যৰ ভঁড়ালত এক অপূৰ্ব সংযোজন বুলি ক'ব পাৰি। সৰ্বসাধাৰণ লোকেও অতি সহজে বুজি পোৱা এই জিকিৰ আৰু জাৰী গীতবোৰে প্ৰতিটো গোষ্ঠীকে আকৰ্ষণ কৰিব পাৰিছে আৰু ইয়াৰ ফলস্বৰূপে অসমৰ প্ৰতিটো পৰিয়া-লতে এই গীতবোৰ প্ৰাণৱন্ত হৈ আছে। মহাপুৰুষ শংকৰদেৱ মাধৱদেৱৰ বৰগীত সমূহৰ দৰে জিকিৰ আৰু জাৰী গীতবোৰেও আধ্যাত্মিকতা আৰু পৰা-মাৰ্থিক তত্ত্বৰ উজ্বল নিদৰ্শন দাঙি ধৰে।

এইজনা খোদা-ভক্ত, ইছলাম ধৰ্ম প্ৰচাৰক, অসমত হিন্দু-মুছলিম মিলনৰ বাট-কটিয়া, হিন্দু-মুছলমান, ৰজা-প্ৰজা ধনী-দুখীয়া সকলোৰে অসীম প্ৰিয় পাত্ৰ সাধকৰ দেহাৱসান ঘটিল শ'ৰাগুৰি চাপৰিতে মাঘ মাহৰ এটি শনিবাৰে ১২০ বছৰ বয়সত। এনেকৈয়ে পীৰ চাহেবৰ বৈচিত্ৰ্যময় আৰু সংঘাতপূৰ্ণ জীৱনৰ পৰিসমাপ্তি ঘটিল। শ'ৰাগুৰি চাপৰিৰ এটি মছজিদৰ ওচৰতে মহান পীৰজনাক কবৰ দি সমাধিষ্ঠ কৰা হ'ল। বৰ্ত্তমান এই ঠাই-খনি এখন তীৰ্থস্থানত পৰিণত হৈছে। আজান ফকিৰ চাহেব আজি আমাৰ মাজত নাই। কিন্তু তেওঁ দেখুৱাই যোৱা মহান আদৰ্শ অনুসৰণ কৰিলে নিশ্চয় এখন ঐক্যবদ্ধ সোণৰ অসম গঢ়ি তোলাটো সম্ভৱ হ'ব আৰু তেওঁৰ বিদেহী আত্মায়ো পৰম শান্তি লাভ কৰিব।

:+:

[ প্ৰবন্ধটো যুগুত কৰোঁতে বিশেষভাবে সহায় লোৱা পুথি কেইখন হ'ল—
১। আজান আৰু নগীপীৰৰ চমু ইতিহাস—মঃ আফতাবুদ্দিন আহমেদ।
২। জিকিৰ আৰু জাৰী—চৈয়দ আব্দুল মালিক। ]

# অসমীয়া ভাষাৰ কিছুমান পদ্ধতি আৰু উচ্চাৰণ সমস্যা

শ্ৰীধৰ্মকান্ত বৰুৱা
প্ৰবক্তা, অসমীয়া বিভাগ।

অসমীয়া ভাষা মূলতঃ আৰ্য ভাষা সম্ভূত। ই পূব ভাৰতৰ আৰ্য ভাষাসমূহৰ ভিতৰত অন্যতম এটি প্ৰধান ভাষা। ইয়াৰ লেখন আৰু উচ্চাৰণ পদ্ধতি ভিন্ ভিন্। তদুপৰি লিখিত আৰু কথিত ভাষাৰ সামঞ্জস্যহীনতাই উচ্চাৰণ পদ্ধতিত কিছুমান সমস্যাৰ সৃষ্টি নকৰাকৈ নাথাকে। পৃথিৱীৰ প্ৰায়বোৰ ভাষাতেই এনেকুৱা বৈষম্য পৰিলক্ষিত হয়; কিন্তু পুৰণি ভাৰতীয় আৰ্য ভাষা সংস্কৃতত বৰ্ণ আৰু ধ্বনিৰ মাজত তেনেকুৱা বৈষম্য নাই বুলিয়ে কব পাৰি। আধুনিক ভাৰতীয় হিন্দী ভাষাতো এনেকুৱা বৈষম্যৰ বোজা তাকৰ।

অসমীয়া ভাষাৰ শব্দ ভাণ্ডাৰ সংস্কৃত বা তৎসম শব্দ, অৰ্ধ তৎসম শব্দ, তদ্ভৱ শব্দ, বিভিন্ন আৰ্য বহিৰ্ভূত শব্দ বা দেশী শব্দ, ভাৰতীয় আৰু অভাৰতীয় শব্দ মালাৰে ভৰপূৰ। এই শব্দ মালাৰ ভিতৰত সংস্কৃতীয়া শব্দ মালা আৰু তদ্ভৱ শব্দমালাই অসমীয়া ভাষাৰ শব্দ ভাণ্ডাৰৰ বৃহৎ পৰিমাণৰ ঠাই দখল কৰি আছে। অন্য নব্য ভাৰতীয় আৰ্য ভাষাৰ তুলনাত অসমীয়া ভাষা কিছু স্বকীয়া হোৱা কাৰণে ইয়াৰ কিছুমান স্বকীয়া বৈশিষ্ট্য আছে। ইয়াৰ স্বকীয়া বৈশিষ্ট্য প্ৰকাশ পাইছে বিশেষকৈ ইয়াৰ ধ্বনিতত্ত্ব আৰু ৰূপতত্ত্বত। অসমীয়া ভাষাৰ ধ্বনিতত্ত্বত বিশেষ জটিলতা নাই। সংস্কৃত ভাষাৰ অনুপাতে অসমীয়া ভাষাত স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনি উচ্চাৰণ কৰা নহয়। অসমীয়া ভাষাত ব্যৱহাৰৰ ক্ষেত্ৰত সেইবোৰৰ প্ৰয়োগ থাকিলেও সেই আখৰবোৰৰ অসমীয়া ভাষাত ধ্বনি গুণ নাই। অসমীয়া ভাষাত ১১টা (এঘাৰটা) স্বৰবৰ্ণ বা আখৰ আছে যদিও উচ্চাৰণ বা প্ৰয়োগৰ ক্ষেত্ৰত ৮টা (আঠোটা) বিশিষ্ট স্বৰধ্বনিহে ব্যৱহাৰ কৰা হয়। ইয়াক বিভিন্ন আখৰেৰে কেনেদৰে বুজোৱা হয় তাৰ এটি বিৱৰণ তলত দিয়া হ'ল।

| বিশিষ্ট স্বৰধ্বনি | | অসমীয়া আখৰ |
|---|---|---|
| অ | — | অ |
| আ | — | আ |
| ই | — | ই, ঈ |
| উ | — | উ, ঊ |
| এ | — | এ |
| এ' | — | এ' |
| অ' | — | অ' |
| ও | — | ও |
| অ'ই | — | ঐ (দ্বি স্বৰ) |
| অ'উ | — | ঔ |

অসমীয়া ভাষাৰ এই বিশিষ্ট স্বৰধ্বনি কেইটা জিভাৰ উচ্চাৰণৰ স্থান অনুসাৰে স্বৰধ্বনিসমূহক সন্মুখ, কেন্দ্ৰীয় আৰু পশ্চ আৰু উচ্চাৰণৰ ধৰণ

অনুসাৰে ক্ৰমে উচ্চ; উচ্চ-মধ্য; উচ্চ নিম্ন মধ্য; নিম্ন-মধ্য আৰু নিম্ন—এই পাঁচোটা ভাগত ভাগ কৰা হৈছে। তলৰ তালিকাখনে ইয়াক বুজাত সহায় কৰিব।

| | সন্মুখ | কেন্দ্ৰীয় | পশ্চ |
|---|---|---|---|
| উচ্চ | ই | | উ |
| উচ্চ-মধ্য | এ | | ও |
| উচ্চ নিম্ন-মধ্য | এ' | | অ' |
| নিম্ন-মধ্য | — | | অ |
| নিম্ন | — | আ | — |

সেইদৰে সংস্কৃত ভাষাৰ অনুপাতে অসমীয়া ভাষাত পঁয়ত্ৰিশটা ব্যঞ্জন বৰ্ণ থাকিলেও অসমীয়া ভাষাত কেৱল একৈশটা বিশিষ্ট ব্যঞ্জন ধ্বনিহে আছে। ইয়াক বিভিন্ন আখাৰেৰে কেনেদৰে বুজোৱা হয় তাৰ বিৱৰণ তলত দিয়া হ'ল।

| বিশিষ্ট ব্যঞ্জনধ্বনি | অসমীয়া আখৰ |
|---|---|
| ক | ক |
| খ | খ |
| গ | গ |
| ঘ | ঘ |
| ঙ | ঙ, ং |
| চ | চ ছ (শ, ষ, স) |
| জ | জ, ঝ, য, হ্য |
| ত | ত, ৎ, ট |
| থ | থ, ঠ |
| দ | দ, ড |
| ধ | ধ, ঢ |
| ন | ন, ণ |
| প | প |
| ফ | ফ |
| ব | ব |
| ভ | ভ |
| ম | ম |
| ৰ | ৰ, ড় |
| ল | ল |
| স | শ, ষ, স |
| হ | হ, ঃ |

(অসমীয়া 'য়' আৰু 'ৱ' শ্ৰুতিধ্বনি ৰূপে ব্যৱহাৰ হয় বাবে তালিকাত দেখুওৱা হোৱা নাই)।

ওপৰৰ তালিকাত দেখুওৱা মতে উচ্চাৰণ স্থান অনুসাৰে অসমীয়া বিশিষ্ট ব্যঞ্জনধ্বনিসমূহক

চাৰিটা ভাগত ভাগ কৰিব পাৰি। যেনে— ওষ্ঠ্য, কণ্ঠ্য দন্তমূলীয় আৰু কণ্ঠ্য নালীয় আৰু উচ্চাৰণৰ ধৰণ অনুসাৰে ক্ৰমে স্পৰ্শ, অল্পপ্ৰাণ, আৰু মহাপ্ৰাণ নাসিক্য, পাৰ্শ্বিক কম্পিত আৰু উষ্ম ধ্বনি। স্পষ্টকৈ বুজিবৰ কাৰণে তলত এখন তালিকা দাঙি ধৰা হ'ল।

ৰাতিৰ ওলোটা দিন আৰু দ্বিতীয়টোৱে দুখীয়া অৰ্থ প্ৰকাশ কৰে। অসমীয়া ভাষাত সংস্কৃতৰ বানান অনুসৰি লেখা অসমীয়া শব্দবোৰৰ উচ্চাৰণ কৰোঁতেও হ্ৰস্ব দীৰ্ঘৰ উচ্চাৰণ কৰা নহয়। অসমীয়াত যেনেকৈ /ই/ঈ/ৰ হ্ৰস্ব দীৰ্ঘৰ উচ্চাৰণ নাই সেইদৰে/উ/ঊ/বৰ্ণ দুটাৰ উচ্চাৰণত হ্ৰস্ব দীৰ্ঘ

| | | ওষ্ঠ্য | দন্তমূলীয় | কণ্ঠ্য | কণ্ঠ্যনালীয় |
|---|---|---|---|---|---|
| স্পৰ্শ বৰ্ণ | অল্পপ্ৰাণ —<br>মহাপ্ৰাণ | প, ব<br>ফ. ভ | ত, দ<br>থ, ধ | ক, গ<br>খ. গ | |
| | নাসিক্য | ম | ন | ঙ | |
| | পাৰ্শ্বিক | | ল | | |
| | কম্পিত | | ৰ | | |
| | উষ্ম | | চ জ | স | হ |

সংস্কৃতৰ বৰ্ণমালাৰ অনুকৰণত অসমীয়াতো আখৰ বা বৰ্ণৰ ব্যৱহাৰ কৰা হয় যদিও সেই আটাইবোৰৰ ধ্বনি গুণ অসমীয়াত নাই। উদাহৰণস্বৰূপে অসমীয়াত/এ/আৰু/এ'/ (স্বৰধ্বনিৰ তালিকাত দেখুওৱাৰ দৰে) এই বিশিষ্ট স্বৰধ্বনি দুটা বুজাবলৈ বেলেগ আখৰ বা বৰ্ণ নাই। এই দুয়োটাকে বুজাবলৈ অসমীয়াত /এ/ আখৰ ব্যৱহাৰ কৰা হয়। অসমীয়া ভাষাত ধ্বনিৰ দৈৰ্ঘ্যৰ বিশিষ্ট প্ৰয়োগ নহয়; কিন্তু সংস্কৃতত ধ্বনিৰ দৈৰ্ঘ্যৰ বিশিষ্ট ৰূপ আছে। সংস্কৃতত ধ্বনিৰ হ্ৰস্ব দীৰ্ঘৰ উচ্চাৰণ ভেদে অৰ্থৰ পৰিবৰ্ত্তন ঘটে। যেনে 'দিন' আৰু 'দীন' এই শব্দ দুটাৰ প্ৰথমটোৱে

নাই। সংস্কৃতৰ/ঋ/ধ্বনিটো অসমীয়াত/ৰি/ৰূপে উচ্চাৰণ কৰা হয়।

সংস্কৃত ভাষাৰ ব্যঞ্জন ধ্বনিত দন্ত্য আৰু মূৰ্ধন্য ধ্বনিৰ পাৰ্থক্য আছে; কিন্তু অসমীয়াত সেই-বোৰৰ পাৰ্থক্য ৰক্ষিত নহয়। অসমীয়া ভাষাত দন্ত মূলীয় ধ্বনিহে বিশিষ্ট ধ্বনি। সেইবাবে লেখোঁতে দন্ত্য, মূৰ্ধন্যৰ পাৰ্থক্য ৰাখি লেখিলেও উচ্চাৰণৰ ক্ষেত্ৰত একে ধৰণে কৰা হয়। উদাহৰণ স্বৰূপে 'মাতি' আৰু 'মাটি' এই শব্দ দুটাত থকা দন্ত্য/ত/ আৰু মূৰ্ধন্য/ট/ দুয়োটা ধ্বনি একে ধৰণে উচ্চাৰণ কৰা হৈছে। মুঠতে অসমীয়া ভাষাত সংস্কৃতীয়া শব্দ উচ্চাৰণ কৰোঁতেও অসমীয়া

ভাষাৰ নীতিকে অনুসৰণ কৰা হয়। সংস্কৃতৰ তালব্য বৰ্ণবোৰ (চ ছ, জ, ঝ, ঞ, য, শ ) অসমীয়া ভাষাত দন্তমূলীয় ধ্বনি ৰূপে উচ্চাৰিত হয়। যেনে অসমীয়া ভাষাত 'চন্দ্ৰ' আৰু 'ছাত্ৰ' শব্দ দুটা এই ৰূপে লেখিলেও তাৰ উচ্চাৰণ আমি দুয়োটা শব্দতে দন্তমূলীয়/চ/ৰ দৰে কৰোঁহঁক। সংস্কৃতৰ অল্পপ্ৰাণ আৰু মহাপ্ৰাণ তালব্য ধ্বনিৰ উচ্চাৰণ অসমীয়া ভাষাত কৰাই নহয়। সংস্কৃতৰ ওষ্ঠ্যবৰ্ণ/ৱ/অসমীয়া শব্দৰ আৰম্ভণিত থাকিলে ই সদায়/ব/ ৰূপে আৰু শব্দৰ মাজত বা শেষত থাকিলে ই/ৱ/বা/উ/ ৰূপে উচ্চাৰিত হয়। যেনে—সংস্কৃতৰ ৱেদ, দেৱ আদি শব্দ অসমীয়াত ক্ৰমে বেদ, দেৱ, দেউ ৰূপে উচ্চাৰিত হয়। সংস্কৃতৰ তালব্য ধ্বনি/য়/অসমীয়া শব্দৰ আৰম্ভণিত দন্ত-মূলীয় উষ্ম/জ/ধ্বনি আৰু আন ঠাইত উচ্চ/ই/ স্বৰ ৰূপে উচ্চাৰিত হয়। যেনে সংস্কৃতৰ যদি, জয় আদি অসমীয়াত যদি, জই ৰূপে উচ্চাৰিত হয়।

অসমীয়া ভাষাত/য়/আৰু/ৱ/ শ্ৰুতিধ্বনি ৰূপে ব্যৱহাৰ হয়। ওচৰা-ওচৰিকৈ থকা দুটা ধ্বনি উচ্চাৰণ কৰি এটাৰ পৰা আনটোলৈ যাওঁতে মাজতে হঠাৎ এটা নতুন ধ্বনি উচ্চাৰিত হোৱা প্ৰথাকে শ্ৰুতিধ্বনি বোলা হয়। অসমীয়া ভাষাত ওচৰা-ওচৰিকৈ থকা দুটা স্বৰধ্বনিৰ আগৰটো/ই/ আৰু পাছৰটো/অ/.আ/,এ/ হলে দুয়োটা ধ্বনিৰ মাজত আপোনা আপুনি/য়/ উচ্চাৰিত হয়। আগৰটো উ/বা/ও/ হলে আৰু পাছৰটো অ/ আ/, এ/. হলে আপোনা-আপুনি/ৱ/ উচ্চাৰিত হ'ব। যেনে—দি—অ>দিয়; দি—আ>দিয়া; দি এ >দিয়ে; ক—অ > কৰ; যদু—এ >যদুৱে; নাও—এ >নাৱে; লো—আ>লোৱা ইত্যাদি।

অসমীয়া ভাষাত কিছুমান শব্দ/ঢ়/আখৰেৰে লেখা হয়। এই/ঢ়/ আখৰটোক অসমীয়াত/ৰ/ নাইবা/ৰ/ আৰু /হ/ক সংযুক্ত কৰি উচ্চাৰণ কৰা হয়। যেনে—বুঢ়া শব্দটো এনেদৰে লেখিলেও তাক বুৰা বা বুৰ্হা ৰূপে উচ্চাৰিত কৰা হয়। সেইদৰে সংস্কৃতৰ তালব্য বৰ্ণৰে গঢ়া, ভূঞা, কেঞা আদি শব্দৰ/ঞ/অসমীয়াত উচ্চ/ই/স্বৰ ৰূপে উচ্চাৰিত হয়। যেনে—ভূঁইআ, কেঁইআ ইত্যাদি। আনহাতে/ঞ/ধ্বনিটো আন ব্যঞ্জনধ্বনিৰ লগত যুক্ত হৈ থাকিলে ই অসমীয়াত দন্তমূলীয় নাসিক্য/ন/ ধ্বনিৰ ৰূপ লয়। যেনে— যাচঞা, বাঞ্চা আদি শব্দ অসমীয়াত যাচ্না, বান্চা আদি ৰূপে উচ্চাৰিত হয়। সেইদৰে/ড়/ধ্বনিটো অসমীয়াত কম্পিত/ৰ/ৰূপে উচ্চাৰিত হয়। যেনে—গঁড় শব্দটো গঁৰ ৰূপে উচ্চাৰিত কৰা হয়। সংস্কৃতৰ কণ্ঠ্যবৰ্ণ /ঙ/অসমীয়াত কণ্ঠ্য নাসিক্য ধ্বনি ৰূপে উচ্চাৰিত হয়। এই/ঙ/ধ্বনিৰ উচ্চাৰণ ইংৰাজী Song শব্দৰ ng ৰ দৰে। আকৌ কোনো কোনো শব্দত ইং অনুস্বাৰ ধ্বনিৰ দৰে উচ্চাৰিত। শব্দৰ আৰম্ভণিত ইয়াৰ ব্যৱহাৰ নহয়।

সংস্কৃতৰ তালব্য/শ/, মূৰ্ধন্য/ষ, আৰু দন্ত্য/স উষ্ম ধ্বনি কেইটা অসমীয়া ভাষাত স্বকীয়াৰূপে উচ্চাৰিত হয়। সংস্কৃতৰ অসংযুক্ত উষ্ম ধ্বনি কেইটা অসমীয়া শব্দৰ আৰম্ভণিত সাধাৰণতে অঘোষ কণ্ঠ্য উষ্ম ধ্বনি /স/ (তালিকাত দেখুওৱা মতে) ৰূপে উচ্চাৰিত হয়। যেনে—সংস্কৃতৰ শৱ, ষণ্ড, সাৰ অসমীয়াত ক্ৰমে সব (শৱ), সাঁৰ (ষাঁড়), সাৰ (সাৰ) ৰূপে উচ্চাৰিত হয়। সেইদৰে সংস্কৃতৰ আশা, আকাশ, বিষ, ৰস, আদি শব্দ অসমীয়াত আসা,

আকাস, বিস, ৰস ৰূপে উচ্চাৰিত হ'ব। আৰু কিছুমান শব্দত/স/ৰ লগে লগে/হ/আৰু/খ/ৰ উচ্চাৰণ শুনা যায়। যেনে—ৰস> বহ ; বিষ> বিখ, বিহ ইত্যাদি। সাধাৰণতে শব্দৰ আৰম্ভণিৰ বাহিৰে আন ঠাইত বিশেষকৈ তন্তুৰ শব্দত/স/ৰ ঠাইত/হ/ৰ উচ্চাৰণ কৰা হয়। সংস্কৃতৰ এই উষ্ম ধ্বনিকেইটা যদি আন ব্যঞ্জনধ্বনিৰ লগত যুক্ত হৈ থাকে তেনেহলে অসমীয়া ভাষাত তাৰ উচ্চাৰণ দন্তমূলীয়/চ/ৰ দৰে কৰা হয়। যেনে— সংস্কৃতীয়া শব্দ কৃষ্ণ, বিষ্ণু প্ৰশ্ন আদি শব্দ অসমীয়াত ক্ৰমে ক্ৰিচ্‌ন. বিচ্‌নু, প্ৰচ্‌ন আদি ৰূপে উচ্চাৰিত হয়। আকৌ যদি উষ্ম ধ্বনিৰে যুক্ত হৈ থকা শব্দটোৰ প্ৰথমটো/ৰ/ বা অনুস্বাৰ বা নাসিক্য ধ্বনি হয় তেতিয়াও অসমীয়াত স্বকীয়া ৰূপে উচ্চাৰিত হয়। যেনে—দৰ্শন, বৰ্ষ. মাংস আদি শব্দ অসমীয়াত দৰ্‌সন, বৰ্‌স, মাঙ্‌স আদি ৰূপে উচ্চাৰিত হয়। সেইদৰে সংখ্যাবাচক শব্দত থকা সংস্কৃতৰ উষ্ম ধ্বনি তালব্য/শ/ অসমীয়াত দন্তমূলীয় উষ্ম/চ/ ৰূপে উচ্চাৰিত হয়। যেনে সংস্কৃতৰ বিংশতি একবিংশতি, দশ আদি শব্দ অসমীয়াত বিচ (বিশ), এৰৈচ (এৰৈশ), দচ (দশ) ৰূপে উচ্চাৰিত হয়। 'দশ' শব্দৰ 'দহ' ৰূপো পোৱা যায়। অসমীয়া নামবাচক শব্দৰ আদিত থকা সংস্কৃতৰ উষ্মধ্বনি/স/ ধ্বনিৰূপে উচ্চাৰিত হয়। যেনে—সত্যভামা, সাবিত্ৰী, শঙ্কৰ ইত্যাদি। কিন্তু তাতো কিছু ব্যতিক্ৰম দেখা যায়। মহেশ, সতীশ, জগদীশ, হৰিশ আদি শব্দত থকা উষ্ম ধ্বনিকেইটা অসমীয়াত দন্তমূলীয় /চ/ উষ্ম ধ্বনিৰূপে উচ্চাৰিত হয়। যেনে— মহেচ, চতীচ, জগদীচ, হৰিচ। নামবাচক শব্দৰ উচ্চাৰণত এনেকুৱা ব্যতিক্ৰম থকা বাবে কোনো ভাষা বিজ্ঞানীয়ে এইবোৰক শব্দ ভাণ্ডাৰৰ সতে সাঙুৰি ল'ব নোখোজে। তেখেত-সকলে এইটো বেলেগ ভাষাৰ প্ৰভাৱৰ ফলত হোৱা বুলি ক'ব খোজে।

সংস্কৃতীয়া শব্দৰ উচ্চাৰণ সমস্যাৰ উপৰিও অসমীয়া ভাষাত আন কিছুমান সমস্যা আছে। ভাষাটোৰ লিখিত ৰূপে এই ক্ষেত্ৰত অৰিহণা যোগাইছে। অসমীয়া ভাষাত থকা /এ/ আখৰটো দুই ধৰণে উচ্চাৰণ কৰা হয়। কিন্তু ইয়াৰ ব্যৱহাৰ একে ধৰণে কৰা হয়। ইয়াৰ এটা উচ্চাৰণ 'উচ্চ মধ্য' /এ/ ৰূপে আৰু আনটো উচ্চ-নিম্নমধ্য /এ'/ ৰূপে কৰা হয়। ইয়াৰ স্পষ্ট ৰূপ স্কুল, কলেজত থকা 'বেল' আৰু গছৰ ফল বুজোৱা 'বেল' শব্দ দুটা উচ্চাৰণ কৰিলেই পাৰ্থক্য দুটা অনুভৱ কৰিব পাৰি। ইয়াৰে প্ৰথম শব্দটোত /এ/ আৰু দ্বিতীয়টোত /এ'/ উচ্চাৰিত হোৱা শুনা যায়। কিন্তু লেখোঁতে দুয়োটা একেধৰণে লেখা যায়। বিশেষকৈ উজনি আৰু নামনি অঞ্চলৰ লোকৰ লিখিত ৰূপত এই পাৰ্থক্য ধৰিব পাৰি। উজনিৰ লোকে উচ্চাৰণ কৰোঁতে গ'ৰু বাত'ৰি, চ'কু আদি ৰূপে কৰে ; কিন্তু নামনিৰ লোকে গৰু, বাতৰি, চকু আদি ৰূপে উচ্চাৰিত কৰে। ব্যাকৰণৰ নিয়মমতে কোনো শব্দত /অ/ ধ্বনিৰ পৰবৰ্ত্তী অক্ষৰত/ই/বা/উ/ধ্বনি থাকিলে পূৰ্ববৰ্ত্তী অক্ষৰত থকা/অ/ধ্বনি/অ'/ ধ্বনিলৈ ৰূপান্তৰিত হয়। কিন্তু কোনো নাসিক্য ধ্বনিৰ পাছত পৰবৰ্ত্তী অক্ষৰত/ই/বা/উ/ধ্বনি থাকিলে পূৰ্ববৰ্ত্তী অক্ষৰত থকা /অ/ধ্বনি/অ'/ধ্বনিলৈ ৰূপান্তৰিত নহয়। যেনে শনি, মণি ইত্যাদি। উজনি অঞ্চলৰ লোকে ব্যাকৰণৰ এই নীতি মানি চলে যদিও

তাতো ব্যতিক্ৰম নথকা নহয়। ব্যাকৰণৰ এই নীতিৰ বাবে আমি অকাৰান্ত ধাতুৰ ৰূপ লোৱা পদবোৰ যেনে— ক'ব, হ'ব, ল'ব, ল'ম, ক'ম এইৰূপে উচ্চাৰণ কৰিব লাগে। কিন্তু কিছুমান শব্দ অকাৰান্ত ৰূপত লেখিলেও সেইবোৰ ব্যঞ্জনান্ত ৰূপত উচ্চাৰণ কৰা হয়। যেনে—ঘৰ, মুখ, কৰ, ধৰ, মৰ ইত্যাদি। আকৌ কিছুমান ব্যঞ্জনান্ত শব্দ অকাৰান্ত ৰূপত উচ্চাৰণ কৰা হয়। সেইবোৰ যেনে—পাৰ—অ (পাৰ); পাভ—অ (পাভ); নাব—অ (নাব); গাধ—অ (গাধ); এ'ঘাৰ অ (এ'ঘাৰ); বাৰ অ (বাৰ) ইত্যাদি।

সংস্কৃত তৎসম্ শব্দবোৰো অসমীয়াত অকাৰান্ত ৰূপত উচ্চাৰণ কৰা হয়। যেনে লোহ, বিকশিত, জ্ঞাত ইত্যাদি। আকৌ গদ্যত ব্যঞ্জনান্ত ৰূপে উচ্চাৰিত হোৱা শব্দবোৰো পদ্যত অকাৰান্ত ৰূপত উচ্চাৰিত হয়। যেনে—কৃষ্ণৰ, চৰণ শৰণ ইত্যাদি। অসমীয়াত যিবোৰ শব্দৰ শেষত/ঈয়/আৰু/অয়/ প্ৰত্যয়ান্ত আছে সেইবোৰ শব্দও অকাৰান্ত ৰূপত উচ্চাৰিত হয়। যেনে—প্ৰিয়, দ্বিতীয়, স্বৰ্গীয়, দেয়, বিধেয় ইত্যাদি। যুক্ত ব্যঞ্জনান্তৰে শেষ হোৱা শব্দবোৰো অসমীয়াত অকাৰান্ত ৰূপত উচ্চাৰিত কৰা হয়। যেনে সন্ত, মহন্ত, চন্দ্ৰ, বাক্য, ধৈৰ্য, গুৰুত্ব ইত্যাদি। যুক্ত ব্যঞ্জনান্তৰে শেষ হোৱা শব্দৰ ক্ষেত্ৰটো ব্যতিক্ৰম পোৱা যায়। সেইবোৰ অকাৰান্ত ৰূপত উচ্চাৰিত কৰা নহয়। তেনেকুৱা কিছুমান শব্দ হ'ল—বান্ধ্, কান্ধ্, ফান্দ্, ইত্যাদি। অসমীয়া এক আখৰীয়া ব্যঞ্জনান্ত ধাতুবোৰো অকাৰান্ত শব্দৰ ৰূপত উচ্চাৰিত কৰা হয়। তেনে কিছুমান ধাতু হ'ল- যেনেঃ ক, খ, থ, ল, ৰ ইত্যাদি।

আলোচিত আলোচনাৰ পৰা আমি এটা সিদ্ধান্তলৈ আহিব পাৰোঁ যে আমাৰ অসমীয়া ভাষাৰ উচ্চাৰণৰ ক্ষেত্ৰত কিছুমান নিৰ্দ্দিষ্ট পদ্ধতি আছে; কিন্তু এই পদ্ধতি আমি সকলোৱে মানি নচলাৰ ফলত উচ্চাৰণৰ ক্ষেত্ৰত দুই/চাৰিৰ বিভ্ৰাট ঘটে। সেয়েহে আমি সমূহীয়া প্ৰচেষ্টাৰে এই আসোঁৱাহবোৰ দূৰ কৰাৰ প্ৰচেষ্টা হাতত ল'ব লাগে। ভাষাৰ উচ্চাৰণৰ ক্ষেত্ৰত ক্ষুদ্ৰ আৰু আঞ্চলিক স্বাৰ্থসমূহ পৰিত্যাগ কৰিব নোৱাৰিলে ভাষাৰ উন্নতি সাধন নহয়। ভাষা এটাৰ বিজ্ঞান-সন্মত বিচাৰ বিশ্লেষণ কৰা সকলো শ্ৰেণী লোকৰে প্ৰধান কৰ্ত্তব্য।

—●—

**আভাস লোৱা গ্ৰন্থঃ**

১। Assamese its Formation and Development— by Dr. B. K. Kakati, M. A. Ph. D.

২। ভাষা-বিজ্ঞান—ড০ উপেন গোস্বামী।

৩। অসমীয়া ভাষাৰ ব্যাকৰণ—ড০ উপেন গোস্বামী।

৪। অসমীয়া ভাষাৰ ৰূপ কথা—ড০ উপেন গোস্বামী।

৫। অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ—ড০ গোলোক গোস্বামী।

## ১৯৯০-৯১ চনৰ মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত কৰা বিভিন্ন প্ৰতিযোগিতাৰ ফলাফলসমূহ ঃ

**খেল-ধেমালি ( ল'ৰাৰ ) ঃ**

১০০ মিটাৰ দৌৰ ঃ

১ম—পূৰ্ণ বড়ো ( উঃ মাঃ ১ম )

২য়—কামদেৱ কলিতা ( উঃ মাঃ ২য় )

৩য়—লৱ ৰাভা ( স্নাঃ ৩য় )

২০০ মিটাৰ দৌৰ ঃ

১ম—কামদেৱ কলিতা ( উঃ মাঃ ২য় )

২য়—প্ৰফুল্ল ৰাভা ( উঃ মঃ ১ম )

৩য়—ভোগেশ্বৰ বড়ো ( উঃ মাঃ ২য় )

৪০০ মিটাৰ দৌৰ ঃ

১ম—প্ৰফুল্ল ৰাভা ( উঃ মাঃ ১ম )

২য় পূৰ্ণ বড়ো ( উঃ মাঃ ২য় )

৩য়—সঞ্জয় ৰাভা ( উঃ মাঃ ১মঃ বি. )
কামদেৱ কলিতা ( উঃ মাঃ ২য় )

৮০০ মিটাৰ দৌৰ ঃ

১ম—সঞ্জয় ৰাভা ( উঃ মাঃ ১ম বিঃ )

২য়—কামদেৱ কলিতা ( উঃ মাঃ ২য় )

৩য়—ভবানী প্ৰসাদ বড়ো ( উঃ মাঃ ১ম )

১৫০০ মিটাৰ দৌৰ ঃ

১ম—সঞ্জয় ৰাভা ( উঃ মাঃ ১ম বিঃ )

২য়—পূৰ্ণ বড়ো ( উঃ মাঃ ১মঃ )

৩য় সুৰেশ চন্দ্ৰ দাস ( উঃ মাঃ ১ম )

**লং জাম্প ঃ**

১ম—দুলাল ৰাভা ( উঃ মাঃ ২য় )

২য় লীলাধৰ বড়ো ( উঃ মাঃ ১ম )

৩য়—সূৰ্য্য কান্ত বড়ো ( স্নাঃ ১মঃ )

**হাই জাম্প ঃ**

১ম—হামিদ আলী ( উঃ মাঃ ১ম )

২য় লীলাধৰ বড়ো ( উঃ মাঃ ১ম )

৩য়—সঞ্জয় ৰাভা ( উঃ মাঃ ১ম বি )

**ট্ৰিপুল জাম্প ঃ**

১ম—প্ৰফুল্ল ৰাভা ( উঃ মাঃ ১ম )

২য়—কামদেৱ কলিতা ( উঃ মা ২য় )

৩য়—সঞ্জয় ৰাভা ( উঃ মাঃ ১মঃ বিঃ )

**চট্‌পুট থ্ৰ' ঃ**

১ম—জনাৰ্দন বড়ো ( উঃ মাঃ ১ম )

২য়—ভবানী প্ৰসাদ বড়ো ( উঃ মাঃ ১ম )

৩য়—অনিল কুমাৰ বড়ো ( উঃ মাঃ ১ম )

**জেভেলিন থ্ৰ' ঃ**

১ম—মঃ হামিদ আলী ( উঃ মাঃ ১ম )

২য়—লৱ কুমাৰ ৰাভা ( স্নাঃ ৩য় )

৩য়—ভবানী প্ৰসাদ বড়ো ( উঃ মাঃ ১ম )

**ডিচকাচ থ্ৰ :**

১ম—মঃ হামিদ আলী ( উঃ মাঃ ১ম )
২য়—ভৱানী প্ৰসাদ বড়ো ( উঃ মাঃ ১ম )
৩য়—অনিল কুমাৰ বড়ো ( উঃ মাঃ ১ম )

**পোলভল্ট :**

১ম মঃ হামিদ আলী ( উঃ মাঃ ১ম )
২য় ভৱানী প্ৰসাদ বড়ো ( উঃ মাঃ ১ম )
৩য়—পৱিত্ৰ বড়ো ( উঃ মাঃ ২য় )

**পাঞ্জা :**

১ম—ভৱানী প্ৰসাদ বড়ো ( উঃ মাঃ ১ম )
২য়—কামদেৱ কলিতা ( উঃ মাঃ ২য় )
৩য় শংকৰ পাঠক ( উঃ মাঃ ১ম )

**ৰিলেৰেচ ১০০×৪ :**

১ম দল - সঞ্জয় ৰাভা ( উঃ মাঃ ১ম বি )
সুৰেশ দাস ( উঃ মাঃ ১ম )
পূৰ্ণ বড়ো ( উঃ মাঃ ১ম )
ৰহিম বড়ো ( উঃ মাঃ ১ম )

২য় দল—মঃ হামিদ আলী ( উঃ মাঃ ১ম )
অনিল বড়ো ( উঃ মাঃ ১ম )
উৎপল বড়ো ( উঃ মাঃ ১ম )
লীলাধৰ বড়ো ( উঃ মাঃ ১ম )

৩য় দল—অমৃত কলিতা ( উঃ মাঃ ২য় )
বীৰেণ ঠাকুৰীয়া ( স্নাঃ ১ম )
কুলেন্দ্ৰ কলিতা ( উঃ মাঃ ১ম )
কনক দৈমাৰী ( উঃ মাঃ ১ম )

**ভলীবল :**

বিজয়ী দল—উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিক (খ) শাখা
বিজিত দল—স্নাতক ৩য় বাৰ্ষিক।

**ক্ৰিকেট :**

বিজয়ী দল—স্নাতক প্ৰথম বাৰ্ষিক
বিজিত দল— উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিক
Man of the Match :
Bedanta Kr Deka—T. D. C. 1st
Best Bowler :
Nilim Dutta—H. S. ( Sc ) 1st

**বছৰৰ শ্ৰেষ্ঠ খেলুৱৈ :**

শ্ৰীকামদেৱ কলিতা ( উঃ মাঃ ২য় ) কলা

**খেল-ধেমালি ( ছোৱালীৰ ) :**

**১০০ মিটাৰ দৌৰ :**

১ম—মিচ্ পূৰবী মহন্ত ( উঃ মাঃ ২য় )
২য় মিচ্ লিপিকা ভদ্ৰ ( উঃ মাঃ ২য় )
৩য় মিচ মঞ্জুলা ঠাকুৰীয়া ( স্নাঃ ৩য় )

**২০০ মিটাৰ দৌৰ :**

১ম—মিচ্ অঞ্জলি দৈমাৰী ( উঃ মাঃ ১ম )
২য় অঞ্জনা ৰাভা ( উঃ মাঃ ১ম )
৩য়—মিচ্ লিপিকা ভদ্ৰ ( উঃ মাঃ ২য় )

**৪০০ মিটাৰ দৌৰ :**

১ম - মিচ্ অঞ্জলি দৈমাৰী ( উ. মাঃ ১ম )
২য়—মিচ্ অঞ্জনা ৰাভা ( উঃ মাঃ ১ম )
৩য়—মিচ্ লিপিকা ভদ্ৰ ( উঃ মাঃ ২য় )

**৮০০ মিটাৰ দৌৰ :**

২ম—মিচ্ অঞ্জনা ৰাভা ( উঃ মাঃ ১ম )
২য় মিচ্ অঞ্জলি দৈমাৰী ( উঃ মাঃ ১ম )
৩য়—মিচ্ যুথিকা বয় ( স্নাঃ ৩য় )

**লং জাম্প :**

১ম—মিচ্ অঞ্জলি দৈমাৰী ( উঃ মাঃ ১ম )
২য়—মিচ্ অঞ্জনা ৰাভা ( উঃ মাঃ ১ম )
৩য়—মিচ্ কাকলি অধিকাৰী ( স্নাঃ ৩য় )

**ট্ৰিপুল জাম্প ঃ**

১ম—মিচ্ অঞ্জলি দৈমাৰী ( উঃ মাঃ ১ম )
২য়—,, অঞ্জনা বাভা ( উঃ মাঃ ১ম )
,, যুথিকা ৰয় ( স্নাঃ ৩য় )
৩য়—” মঞ্জু দাস ( উঃ মাঃ ২য়

**জেভেলিন থ্ৰ’ ঃ**

১ম—মিচ্ অঞ্জলি দৈমাৰী ( উঃ মাঃ ১ম )
২য়—” অঞ্জনা বাভা ( উঃ মাঃ ১ম )
৩য়—” জোনাকী দাস ( উঃ মাঃ ১ম )

**ডিচ্‌কাচ থ্ৰ’ ঃ**

১ম—মিচ্ অঞ্জলি দৈমাৰী ( উঃ মাঃ ১ম )
২য়—” অঞ্জনা বাভা ( উঃ মাঃ ১ম )
৩য়—” লিপিকা ভদ্ৰ ( উঃ মাঃ ২য় )

**ৰেলেঞ্চ ৰেচ ঃ**

১ম—মিচ্ আমিনা বেগম ( উঃ মাঃ ১ম )
২য়—” যুথিকা ৰয় ( স্নাঃ ৩য় )
৩য়—” শিখাবাণী সৰকাৰ ( স্নাঃ ৩য় )

**পাঞ্জা ঃ**

১ম—মিচ্ মীৰা মহন্ত ( স্নাঃ ৩য় )
২য়—” বীণাপাণী নাথ ( উঃ মাঃ ২য় )
৩য়—” তৰা বায়ন ( স্নাঃ ৩য় )

**ৰিলেৰেচ ঃ**

১ম দল—অঞ্জলি দৈমাৰী ( উঃ মাঃ ১ম )
অঞ্জনা বাভা ( উঃ মাঃ ১ম )
লিপিকা ভদ্ৰ ( উঃ মাঃ ২য় )
আমিনা বেগম ( উঃ মাঃ ২য় )
২য় দল—মিচ্ যুথিকা ৰয় ( স্নাঃ ৩য় )
,, কাকলি অধিকাৰী ( স্নাঃ ৩য় )
,, মীৰা মহন্ত ( স্নাঃ ৩য় )
,, মঞ্জুলা ঠাকুৰীয়া ( স্নাঃ ৩য় )
৩য় দল—শিখাবাণী সৰকাৰ ( স্নাঃ ৩য় )
বীণাপাণি নাথ ( উঃ মাঃ ২য় )
মঞ্জু দাস ( উঃ মাঃ ২য় )
বীণা দাস ( উঃ মাঃ ১ম )

**চট্‌পুট থ্ৰ’ ঃ**

১ম—মিচ্ অঞ্জলি দৈমাৰী ( উঃ মাঃ ১ম )
২য়—,, মঞ্জু দাস ( উঃ মাঃ ২য় )
৩য়—,, আমিনা বেগম ( উঃ মাঃ ২য় )

**বছৰৰ শ্ৰেষ্ঠা খেলুৱৈ ঃ**

মিচ্ অঞ্জলি দৈমাৰী
[ উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিক ‘কলা’ ]

**ছাত্ৰ জিৰণিকোঠা বিভাগৰ ফলাফল ঃ**

**কেৰম ঃ ( একক )**

চেম্পিয়ন শ্বিপ— নৱ কুমাৰ কলিতা ( ৩য়, স্নাতক )
ৰানাৰ্চ আপ সুৰেশ চন্দ্ৰ দাস ( উঃ মাঃ ১ম )

**কেৰম ঃ ( দ্বৈত )**

চেম্পিয়ন শ্বিপ— নৱ কুমাৰ কলিতা ( স্নাতক, ৩য় )
নিৰঞ্জন মণ্ডল ( স্নাঃ ২য় )
ৰানাৰ্চ আপ—বানেশ্বৰ দাস ( উঃ মাঃ ১ম )
প্ৰবীণ কলিতা ( ,, )

**বেডমিণ্টন ( একক )**

চেম্পিয়ন— প্ৰশান্ত কলিতা ( স্নাঃ ১ম )
ৰানাৰ্চ আপ— বিপুল দাস ( উঃ মাঃ ১ম )

**বেডমিণ্টন ( দ্বৈত )**

চেম্পিয়ন—ৰমেন কলিতা ( উঃ মাঃ ১ম )
মৃণাল পাটোৱাৰী ( উঃ মাঃ ১ম )
ৰানাৰ্চ আপ—বাবুল কলিতা ( উঃ মাঃ ২য় )
ধনঞ্জয় ডাকুৱা ( উঃ মাঃ ১ম )